It's time to do,
Not to think...

Plant some trees
To save the world

জন হিতার্থে প্রচাৰিত

সাপ্তাহিক মৰিগাঁও

SAPTAHIK MORIGAON

A WEEKLY NEWS PAPER PUBLISHED FROM MORIGAON, ASSAM

মৰিগাঁৱৰ পৰা প্ৰকাশিত সাপ্তাহিক বাতৰি কাকত

বছৰ-৩০, সংখ্যা-৭, ১০-ছেপ্টেম্বৰ, ২০২৬, বৃহস্পতিবাৰ, মূল্য-২.০০ টকা

Voll-30, No. 7, 10- September, 2026,Thursday, RNI No.67320/97, Price-2.00

দেশৰ বিত্তীয় ধ্বজাবাহী কল্যাণমূলক আঁচনি জন ধন যোজনাৰ পয়ালগা স্বৰূপ

।। **বিশেষ সেৱা**।। দেশৰ প্ৰতিটো ঘৰৰ সদস্যক ব্যাপক পৰিসৰত বিত্তীয় অন্তৰ্ভুক্তি কৰাৰ বাবে ২০১৪ চনৰ আগষ্ট মাহত বিত্তীয় ধ্বজাবাহী আঁচনি প্ৰধানমন্ত্রী জন ধন যোজনা (পি এম জে ডি ৱাই) আৰম্ভ কৰা হৈছিল। দেশৰ প্ৰতিজন নাগৰিকৰ যাতে কমেও এটা বেংক একাউণ্ট থাকে আৰু প্ৰতিজন নাগৰিকে যাতে বেংকিং সুবিধা, বিত্তীয় সাক্ষৰতা আৰু সামাজিক সুৰক্ষা পাব পাৰে, সেই উদ্দেশ্যৰে এই প্ৰধানমন্ত্রী জন ধন যোজনা আৰম্ভ কৰা হৈছিল। কিন্তু বৰ্তমান দেশত এই কল্যাণমূলক আঁচনিৰ এখন দুখলগা ছবিহে উন্মোচিত হৈছে। এটা তথ্য জনাৰ অধিকাৰ আইন (আৰ টি আই) অধীনত পোৱা উত্তৰ অনুসৰি প্ৰধানমন্ত্রীৰ জন ধন যোজনাৰ (পি এম জে ডি ৱাই) সন্দৰ্ভত ● (২পৃষ্ঠাত)

শিক্ষকতা ঃ জীৱিকা নহয়, এক পবিত্ৰ জীৱন-ব্ৰত

মানৱ সভ্যতাৰ বিৱৰ্তনৰ সুদীৰ্ঘ ইতিহাসলৈ দৃষ্টিপাত কৰিলে দেখা যায় যে যিসমূহ উপাদানে মানুহক শ্ৰেষ্ঠত্ব আৰু মৰ্যাদা প্ৰদান কৰিছে, তাৰ ভিতৰত শিক্ষাৰ স্থান সকলোতকৈ ওপৰত। শিক্ষা হ'ল সেই আলোকবৰ্তিকা যিয়ে সমাজৰ পৰা ● (২পৃষ্ঠাত)



প্ৰেম বৈষ্ণৱ
৯৮৫৪৪৫০৫৮২

নাথ-যোগীসকলক খিলঞ্জীয়া জনগোষ্ঠীৰ অন্তৰ্ভুক্ত কৰাৰ দাবী



।। **বিশেষ সেৱা**।। অসম ভূমি আৰু ৰাজহ নিয়মীয়াৱলী সংশোধনী বিধেয়ক, ২০২৬ ক পুনৰ সংশোধন কৰি নাথ-যোগী জনগোষ্ঠীটোক খিলঞ্জীয়া জনগোষ্ঠী সম্প্ৰদায়ৰ অন্তৰ্ভুক্ত কৰি এই জনগোষ্ঠীৰ অধিকাৰ সুৰক্ষিত কৰিবলৈ অসম চৰকাৰক প্ৰবল দাবী জনাইছে অসম প্ৰাদেশিক ● (৪পৃষ্ঠাত)

মৰিগাঁৱৰ অনন্ত বৰঠাকুৰক অসম চৰকাৰৰ শ্ৰেষ্ঠ প্ৰশিক্ষকৰ ৰাজ্যিক ক্ৰীড়া বঁটা

।। **বিশেষ সেৱা**।। মৰিগাঁৱৰ ঐতিহ্যমণ্ডিত চাৰণ বিলৰ পাৰত থকা কায়াকিং আৰু কেনয়িং প্ৰশিক্ষণ প্ৰতিষ্ঠানটোৰ তত্ত্বাবধায়ক তথা মুখ্য প্ৰশিক্ষক অনন্ত বৰঠাকুৰক অসম চৰকাৰে শ্ৰেষ্ঠ প্ৰশিক্ষকৰ



ৰাজ্যিক ক্ৰীড়া বঁটা প্ৰদান কৰিছে। গুৱাহাটীত অনুষ্ঠিত ৰাজ্যিক ক্ৰীড়া দিৱসত অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ সঞ্চালক অংকুৰ ভড়ালী স্বাক্ষৰিত শ্ৰেষ্ঠ প্ৰশিক্ষকৰ এখন স্বীকৃতি পত্ৰ অনন্ত বৰঠাকুৰক প্ৰদান কৰে ৰাজ্যৰ ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্রী ● (৫পৃষ্ঠাত)

মৰিগাঁও-ভূৰবন্ধা সংযোগী পথ দূৰৱস্থাৰ প্ৰতিবাদত বৰঙাবাৰীত পথ অৱৰোধ ৰাইজৰ

।। **বিশেষ সেৱা**।। ৰাজ্যত উন্নয়নৰ নামত সৃষ্টি হোৱা পথৰ দূৰৱস্থাই জ্বলা-কলা খুৱাইছে সাধাৰণ ৰাইজক। ৰাষ্ট্রীয় ঘাই পথ,ৰাজ্যিক গড়কাপ্তানি পথ, গ্রাম্য গড়কাপ্তানি পথকে ধৰি



প্ৰায়বোৰ পথৰ দূৰৱস্থাৰ পৰিণতিত প্ৰতিদিনে পথ দুৰ্ঘটনা সংঘটিত হোৱাৰ ফলত বহু লোকে অকাল মৃত্যুক সাৱতি ল'বলগীয়াত পৰিছে। পথৰ দূৰৱস্থাই সাধাৰণ ● (৫পৃষ্ঠাত)

মায়ঙৰ বৰপাকত পাৰঘাটৰ নিবিদাক লৈ কেলেংকাৰী

।। **বিশেষ সেৱা**।। মৰিগাঁও জিলাৰ মায়ং আঞ্চলিক পঞ্চায়তৰ অন্তৰ্গত বৰপাক পঞ্চায়তৰ পাৰঘাট আবণ্টন প্ৰক্রিয়াত বৃহৎ অনিয়ম সংঘটিত কৰাৰ তথ্য পোহৰলৈ আহিছে। বৰপাক গাঁও পঞ্চায়তৰ সচিব ননী গোপাল সাহাই বিভাগীয় সম্পূৰ্ণ নীতি-নিয়ম উলংঘা কৰি নিশাৰ আন্ধাৰত বহা, বৰপাক আৰু ঠেংভাঙা পাৰঘাট আবণ্টন দিয়াক ● (৫পৃষ্ঠাত)

মানুহে মানুহৰ বাবে ঃ মানৱতাৰ সংকট আৰু কালজয়ী আহ্বান

।। **নলিনী ৰঞ্জন ভূঞা**।। মানৱ সভ্যতাৰ সুদীৰ্ঘ যাত্রাপথ মূলতঃ পাৰস্পৰিক নিৰ্ভৰশীলতা, সহমৰ্মিতা, সহযোগিতা আৰু সংহতিৰ ইতিহাস । প্ৰকৃতিৰ প্ৰতিকূলতা, জীৱন-জীৱিকাৰ দুৰ্বিষহ সংগ্রাম, ৰোগ-ব্যাধি, দুৰ্ভিক্ষ, মহামাৰী, যুদ্ধ আৰু প্ৰাকৃতিক দুৰ্যোগৰ দৰে অগণন প্রত্যাহ্বানৰ সন্মুখীন হৈও মানৱজাতি বিলুপ্তিৰ গৰাহত পতিত হোৱা নাই । ইয়াৰ অন্তৰালত নিহিত হৈ আছে মানুহৰ এক অনন্য মানৱীয় গুণ- বিপদৰ সময়ত মানুহে মানুহৰ কাষত থিয় দিয়াৰ প্রবৃত্তি ।এজন বিপদত পৰিলে আনজনে সহায়ৰ হাত আগবঢ়াই দিয়ে । কোনো পৰিয়ালত দুৰ্যোগ বা অভাৱ-অনাটনে দেখা দিলে আনজনে সহমৰ্মিতাৰে তেওঁলোকৰ কাষত থিয় হয় আৰু সাধ্যানুসৰি সহায় কৰিবলৈ আগবাঢ়ি আহে । কোনোবা অসুস্থ হৈ পৰিলে চুবুৰীয়াই নিজৰ অসুবিধাৰ কথা আওকাণ কৰি আন্তৰিকতাৰে সেৱা-শুশ্রূষা আগবঢ়ায় ।এই নিঃস্বাৰ্থ সহায়, আন্তৰিকতা আৰু সহমৰ্মিতাৰ সুদৃঢ় ভেটিৰ ওপৰতেই গঢ় লৈ উঠিছে মানৱ সভ্যতাৰ সুবিশাল সৌধ । মানুহৰ সভ্যতা আচলতে মানুহে মানুহৰ বাবে কৰা ত্যাগ, সহযোগিতা ● (৫পৃষ্ঠাত)

দেশৰ বিত্তীয় ধ্বজাবাহী কল্যাণমূলক আঁচনি জন ধন যোজনাৰ পয়ালগা স্বৰূপ

(১ পৃষ্ঠাৰ পৰা)● গুৰুত্বপূর্ণ তথ্য উদ্ধাৰ হৈছে। প্রতি ৪টা জন ধন একাউণ্টৰ ভিতৰত এটা একাউণ্ট বর্তমান নিষ্ক্রিয় হৈ আছে আৰু সমগ্র দেশত প্রায় ৫.৭২ কোটি বেংক একাউণ্টত শূন্য জমা ধন (জিৰ' বেলেন্স) আছে। আৰ টি আইখনৰ উত্তৰত বিত্ত মন্ত্রালয়ৰ বিত্তীয় সেৱা বিভাগে তথ্য প্রকাশ কৰে যে সমগ্র দেশত বর্তমান ৫৯ কোটিতকৈ অধিক জন ধন একাউণ্ট আছে। ১২ আগষ্ট, ২০২৬ তাৰিখলৈকে দেশত মুঠ ৫৯,০৩,৭৪,৯০৭টা জন ধন একাউন্ট আছে, য'ত মুঠ ৩,১৫,১৭৯.৯০ কোটি টকা জমা আছিল। ইয়াৰে ১৫.৩৬ কোটিতকৈও অধিক একাউণ্ট (২৫ শতাংশ) নিষ্ক্রিয় হৈপৰিছে। শূন্য জমা ধন থকা একাউণ্টৰ তালিকাত অসমৰ স্থান চতুর্থত আছে। য'ত প্রায় ৩৬.৩০ লাখ একাউণ্টত শূন্য বেলেন্স আছে। শূন্য বেলেন্স থকা একাউণ্টৰ ক্ষেত্রত উত্তৰ প্রদেশ (৯৫.৯২ লাখ) শীর্ষত আছে। ইয়াৰ পাছতে বিহাৰ (৬২.৩৫ লাখ) আৰু পশ্চিম বংগ (৩৭.২০ লাখ) আছে। তদুপৰি পাঁচখন ৰাজ্যত জন ধন একাউণ্ট নিষ্ক্রিয় হৈ থকাৰ ক্ষেত্রত শীর্ষত আছে। উত্তৰ প্রদেশত ৩.২৩ কোটি, বিহাৰত ১.৫৯ কোটি, মধ্য প্রদেশত ১.৩৫ কোটি, পশ্চিম বংগত ১.০২ কোটি আৰু মহাৰাষ্ট্রত ৩.৮৫ কোটি জন ধন একাউণ্ট নিষ্ক্রিয় হৈ আছে। সমাজকর্মী চন্দ্র শেখৰ গৌড়ে দাখিল কৰা আৰ টি আইখনৰ উত্তৰত বিত্তীয় সেৱা বিভাগে কয় ঃ দেশৰ মুঠ জন ধন একাউণ্টবোৰৰ ৩২.৮৯ কোটি একাউণ্ট মহিলাৰ আছে। আনহাতে, ২৬.১৪ কোটি একাউণ্ট পুৰুষৰ আছে। উত্তৰ প্রদেশত ১০.৫১ কোটি, বিহাৰত ৭.০১ কোটি, পশ্চিম বংগত ৫.৭৩ কোটি, ৰাজস্থানত ৩.৮৭ কোটি, মহাৰাষ্ট্রত ৩.৮৫ কোটি জন ধন একাউণ্টধাৰী আছে।

শিক্ষকতা ঃ জীৱিকা নহয়, এক পবিত্র জীৱন-ব্রত

(১ পৃষ্ঠাৰ পৰা)● অজ্ঞানতাৰ আন্ধাৰ দূৰ কৰি এক নতুন দিগন্তৰ সূচনা কৰে। এই পবিত্র শিক্ষাৰ আলোক যিগৰাকী মহান ব্যক্তিৰ জৰিয়তে সমাজৰ প্রতিটো স্তৰলৈ নিৰৱচ্ছিন্নভাৰে বিয়পি পৰে, তেৱেঁই হ'ল শিক্ষক। শিক্ষকতাৰ ধাৰণাটো এটা নির্দিষ্ট দৰমহা থকা চৰকাৰী বা বেচৰকাৰী চাকৰিৰ মাজতে আৱদ্ধ কৰি ৰখাটো অতিশয় সংকীর্ণ মানসিকতা বুলি গণ্য কৰা হয়। সমাজৰ বৌদ্ধিক, নৈতিক আৰু মানসিক উত্তৰণৰ বাবে যি নিৰৱচ্ছিন্ন সাধনাৰ প্রয়োজন, সেই সাধনাৰ নামেই হ'ল শিক্ষকতা। ভাৰতীয় প্রাচীন পৰম্পৰাত গুৰুক ঈশ্বৰৰ সমতুল্য স্থান দিয়া হৈছে। 'গু' শব্দৰ অর্থ হ'ল অন্ধকাৰ আৰু 'ৰু' শব্দৰ অর্থ হ'ল পোহৰ; অর্থাৎ যিগৰাকী ব্যক্তিয়ে মানুহক অজ্ঞানতাৰ ঘোৰ অন্ধকাৰৰ পৰা জ্ঞানৰ উজ্জ্বল পোহৰলৈ পথ প্রদর্শন কৰে, তেৱেঁই হ'ল প্রকৃত গুৰু বা শিক্ষক। ইতিহাসৰ পাত লুটিয়ালে দেখা যায় যে পৃথিৱীৰ প্রতিগৰাকী মহান বিপ্লৱী, বিজ্ঞানী বা দার্শনিকৰ উত্থানৰ অন্তৰালত এগৰাকী নীৰৱ শিক্ষকৰ প্রভাৱ চিৰকাল বিদ্যমান আছিল। শিক্ষকতা অকল এটা বৃত্তিত নপৰে, এয়া এক মহান সামাজিক দায়িত্ব। এজন সাধাৰণ চাকৰিয়াল এজনে নিজৰ কর্তব্য শেষ কৰি ঘৰলৈ উভতি আহিলে দায়িত্বৰ পৰা সাময়িক অব্যাহতি পায়, কিন্তু এগৰাকী প্রকৃত শিক্ষকৰ মনত ছাত্র-ছাত্রীৰ চিন্তা আৰু ভৱিষ্যতৰ পৰিকল্পনা অহোৰাত্রি বিৰাজ কৰে। সমাজৰ নৈতিক মেৰুদণ্ড সবলভাৰে গঢ়াৰ যি কঠিন কাম, তাক শিক্ষকে অতি নীৰৱে পালন কৰে। আজিৰ যুগত যেতিয়া পৃথিৱীৰ প্রতিটো বস্তু অর্থৰ দাপোণত জুখি চোৱাৰ এক প্রৱণতা আৰম্ভ হৈছে, তেনে সময়তো শিক্ষকতাৰ পবিত্রতা আৰু মহত্ব অক্ষুণ্ণ ৰখাৰ প্রয়োজনীয়তা পূর্বতকৈ অধিক বৃদ্ধি পোৱা দেখা গৈছে।

শিক্ষকতাৰ এই মহান ব্রতৰ এক অতি উজ্জ্বল আৰু অনুপ্রেৰণাদায়ক নিদর্শন হ'ল ভাৰতৰ প্রাক্তন ৰাষ্ট্রপতি ড° সর্বপল্লী ৰাধাকৃষ্ণণ। তেওঁৰ সমগ্র জীৱনটোৱেই আছিল শিক্ষা, দর্শন আৰু মানৱীয়তাৰ এক অপূর্ব মহামিলন। যেতিয়া তেওঁ ভাৰতবর্ষৰ সর্বোচ্চ সাংবিধানিক পদ অলংকৃত কৰিছিল, তেতিয়া তেওঁৰ একাংশ গুণমুগ্ধ আৰু প্রিয় ছাত্রই তেওঁৰ জন্মদিনটো অতি ধুমধামেৰে উদযাপন কৰিব বিচাৰিছিল। সেই বিৰল মুহূর্তত তেওঁ অতি বিনম্রতাৰে আৰু স্পষ্টকৈ কৈছিল যে মোৰ জন্মদিনটো সুকীয়াকৈ পালন কৰি মোক ব্যক্তিগত মর্যাদা দিয়াৰ পৰিৱর্তে যদি এই বিশেষ দিনটো সমগ্র দেশৰ শিক্ষকসকলৰ সন্মানত 'শিক্ষক দিৱস' হিচাপে পালন কৰা হয়, তেন্তে মই অন্তৰৰ পৰা অধিক গৌৰৱান্বিত হ'ম। তেওঁ সদায় দৃঢ়ভাৰে বিশ্বাস কৰিছিল যে ৰাষ্ট্রৰ সর্বোচ্চ পদত অধিষ্ঠিত থাকিলেও তেওঁৰ মূল আৰু প্রকৃত পৰিচয় হ'ল এজন শিক্ষক। তেওঁৰ মতে শিক্ষকসকল হ'ল দেশৰ সর্বশ্রেষ্ঠ বৌদ্ধিক মগজু যিয়ে ভৱিষ্যত প্রজন্মক গঢ় দিয়ে। ৰাধাকৃষ্ণণে কেতিয়াও শিক্ষকতাক অকল এটা জীৱিকাৰ উপায় হিচাপে গ্রহণ কৰা নাছিল। তেওঁৰ বাবে জ্ঞানদান আছিল এক পবিত্র আধ্যাত্মিক সাধনা। তেওঁ পৃথিৱীৰ আগশাৰীৰ বিশ্ববিদ্যালয়সমূহত অতি নিপুণতাৰে শিক্ষা দান কৰি ভাৰতীয় দর্শন আৰু কৃষ্টি-সংস্কৃতিৰ ধ্বজা বিশ্ব দৰবাৰত এক উচ্চ আসনত প্রতিষ্ঠা কৰিছিল। তেওঁৰ আদর্শৱান জীৱনৰ পৰা এটা কথাই অতি প্রাঞ্জল হয় যে এজন প্রকৃত শিক্ষকে কোনো পদবী, ক্ষমতা বা অর্থৰ মোহত নিজৰ মূল লক্ষ্য আৰু আদর্শৰ পৰা কেতিয়াও বিচ্যুত নহয়। শিক্ষকতাৰ জৰিয়তে সমাজৰ আমূল আৰু ইতিবাচক পৰিৱর্তন সম্ভৱ বুলি তেওঁ যি অটল বিশ্বাস কৰিছিল, সেই বিশ্বাসেই তেওঁক আজিৰ বিশ্বত এক অমৰ সত্তা হিচাপে জীয়াই ৰাখিছে। এজন শিক্ষকৰ মর্যাদা আৰু দায়িত্ব কেনেকুৱা হ'ব লাগে, সেয়া ড° সর্বপল্লী ৰাধাকৃষ্ণণৰ জীৱন দর্শনৰ পৰা শিক্ষা লোৱাটো বর্তমানৰ প্রতিগৰাকী ব্যক্তিৰ বাবে অতিশয় আৱশ্যকীয় হৈ পৰিছে।

শিক্ষা গ্রহণ আৰু দানৰ মূল উদ্দেশ্য হ'ল ব্যক্তিৰ অন্তর্নিহিত গুণসমূহৰ পূর্ণ বিকাশ সাধন কৰা। এজন শিক্ষকে যেতিয়া এজন নতুন ছাত্রক শ্রেণীকোঠাত লগ পায়, তেতিয়া তেওঁৰ সন্মানত এখন সম্পূর্ণ উকা কাগজৰ দৰে শিশুৰ নির্মল মনটো উন্মুক্ত হৈ থাকে। সেই কোমল মনটোত জ্ঞানৰ আখৰ লিখাৰ আৰু এখন সুন্দৰ পৃথিৱীৰ সপোন অংকন কৰাৰ গুৰু দায়িত্ব শিক্ষকৰ ওপৰত ন্যস্ত হয়। এই নির্মাণ কার্যত এজন নিপুণ শিল্পীৰ নিচিনা অসীম ধৈর্য, একাগ্রতা আৰু সৃজনীশীলতাৰ প্রয়োজন পৰিলক্ষিত হয়। সমাজৰ প্রতিটো স্তৰতে শিক্ষকৰ উপস্থিতি আৰু প্রভাৱ অপৰিহার্য বুলি ক'লে কোনো কাৰণতে অতিৰঞ্জিত কৰা নুবুজায়। শিক্ষকৰ প্রকৃত সফলতা তেওঁৰ ব্যক্তিগত সা-সম্পত্তি বা লাহ-বিলাসৰ ওপৰত নির্ভৰ কৰাৰ পৰিৱর্তে তেওঁৰ হাতত গঢ় লোৱা ছাত্র-ছাত্রীসকলৰ নৈতিক মর্যাদা আৰু সামাজিক অৱস্থিতিৰ ওপৰতহে নির্ভৰ কৰে। শিক্ষকতাৰ ক্ষেত্রত ব্যক্তিগত সততা হ'ল এক অবিচ্ছেদ্য আৰু বাধ্যতামূলক গুণ। যিজন শিক্ষকে নিজে সমাজৰ নীতি-নিয়মসমূহ মানি চলিবলৈ টান পায়, তেওঁ ছাত্রক অনুশাসন বা নৈতিকতাৰ পাঠ দিয়াটো সম্পূর্ণৰূপে অযুক্তিকৰ আৰু ফলহীন। সমাজৰ পৰিৱর্তনৰ বাবে পৃথিৱীত যিমানবোৰ ইতিবাচক আৰু যুগান্তকাৰী আন্দোলন গঢ়ি উঠিছে, তাৰ নেতৃত্বত প্রায়ে শিক্ষকসকলক এক অগ্রণী ভূমিকাত দেখা পোৱা যায়। ইয়াৰ প্রধান কাৰণ হ'ল শিক্ষকসকলৰ সমাজৰ প্রতি থকা এক গভীৰ আৰু আন্তৰিক দায়বদ্ধতা। বর্তমানৰ প্রতিযোগিতামূলক শিক্ষা ব্যৱস্থাত অকল পৰীক্ষাত উত্তীর্ণ হৈ নম্বৰ সংগ্রহ কৰাৰ যি অহেতুক প্রতিযোগিতা চলিছে, সেই প্রতিযোগিতাই ছাত্রৰ মনৰ পৰা মৌলিক চিন্তা আৰু সৃজনীশীলতা নোহোৱা কৰি পেলাইছে। এনে এক জটিল আৰু যান্ত্রিক পৰিৱেশত এজন আদর্শ শিক্ষকে ছাত্রক অকল নম্বৰৰ পিছত দৌৰিবলৈ নিশিকাই জ্ঞানৰ প্রতিহে আচলতে আগ্রহী কৰি তুলিব লাগে। জ্ঞান আহৰণ কৰাটো অকল এটা চৰকাৰী চাকৰি পোৱাৰ মাধ্যম নপৰে, এয়া হ'ল এক গভীৰ উপলব্ধি আৰু জীৱনৰ অর্থ বিচাৰি পোৱাৰ এক দীঘলীয়া যাত্রা।

এজন শিক্ষকক কেতিয়া সমাজত আদর্শ বুলি স্বীকৃতি দিয়া হয়, সেইটো নির্ভৰ কৰে তেওঁৰ মানৱীয় গুণসমূহৰ প্রকাশৰ ওপৰত। অকল পাঠ্যপুথিৰ যান্ত্রিক জ্ঞান থাকিল বুলিয়েই এগৰাকী ব্যক্তি সার্থক শিক্ষক হ'ব নোৱাৰে। এগৰাকী শিক্ষকৰ মাজত মৰম, প্রগাঢ় সহানুভূতি আৰু অসীম ধৈর্যৰ উপস্থিতি থকাটো এক প্রকাৰ অপৰিহার্য স্বর্ত। ছাত্র-ছাত্রীসকলক নিজৰ সন্তানৰ দৰে স্নেহ আৰু শাসন কৰিব পৰা গুণটোৱে শিক্ষকজনক তেওঁলোকৰ মাজত অতিশয় জনপ্রিয় আৰু শ্রদ্ধাৰ পাত্র কৰি তোলে। সমাজত চলি থকা বিভিন্ন জাত-পাতৰ বিভেদ আৰু ঘৃণাৰ পৰা ছাত্রৰ কোমল মনটোক মুক্ত কৰি ৰখাটো শিক্ষকৰ অন্যতম দায়িত্ব হিচাপে বিবেচিত হয়। শ্রেণীকোঠাৰ ভিতৰত থকা প্রতিজন ছাত্রই সমান বুলি জ্ঞান কৰিব লাগে, ইয়াত কোনো আর্থিক অৱস্থাৰ উচ্চ-নীচ ভেদভাব থকাটো গৰিহণাযোগ্য। শিক্ষকৰ এই উদাৰ আৰু সমদৃষ্টিভংগীয়েই ছাত্রৰ মনত একতা আৰু ভ্রাতৃত্বৰ ভাৱ ● (৩পৃষ্ঠাত)

সাপ্তাহিক মৰিগাঁও

সম্পাদকীয়

বছৰ-৩০, সংখ্যা-৭, ১০- ছেপ্টেম্বৰ, ২০২৬, বৃহস্পতিবাৰ
Vol-30, No.- 7, 10- September, 2026,Thursday

অসমীয়া ভাষাৰ সুৰক্ষিত ভৱিষ্যৎ

(যোৱা সংখ্যাৰ পৰা) শেষত ক'ব পাৰি, অসমীয়া ভাষাৰ ভৱিষ্যত সুৰক্ষাৰ বাবে আমাক কোনো চমকপ্ৰদ পৰিকল্পনাৰ প্ৰয়োজন নাই, প্ৰয়োজন মাত্ৰ প্ৰতিজন মানুহৰ সদিচ্ছা আৰু দায়বদ্ধতাৰ। ভাষা এটা জীয়াই থাকে মানুহৰ ব্যৱহাৰৰ মাজেৰেহে। যদি আমি দৈনন্দিন জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে অসমীয়া ভাষা ব্যৱহাৰ কৰিবলৈ লাজ নকৰোঁ, গৌৰৱ অনুভৱ কৰোঁ, তেন্তে কোনো বাহিৰা শক্তিয়ে ভাষাটোক ক্ষতি কৰিব নোৱাৰে। ঘৰৰ পৰা আৰম্ভ কৰি সমাজ, শিক্ষা, সংস্কৃতি আৰু প্ৰশাসনৰ শীৰ্ষ পৰ্যায়লৈকে অসমীয়া ভাষাৰ জয়যাত্ৰা অব্যাহত থাকিলেই ইয়াৰ ভৱিষ্যত সুৰক্ষিত হ'ব। আমি ভাষাৰ প্ৰহৰী হিচাপে নহয়, ভাষাৰ সঁচা প্ৰেমী হিচাপে কাম কৰিব লাগিব। অসমীয়া ভাষাৰ ভেটি ইমানেই মজবুত যে ইয়াক সঠিক যত্ন আৰু পৰিচৰ্যাৰে চিৰদিন জীয়াই ৰাখিব পৰা যাব। আমাৰ কৰণীয়সমূহ সঠিকভাৱে পালন কৰিলে অসমীয়া ভাষা কেৱল বৰ্তি নাথাকিব, ই আৰু অধিক সমৃদ্ধিশালী আৰু শক্তিশালী হৈ উঠিব। এই ভাষা আমাৰ গৌৰৱ, ইয়াক সুৰক্ষিত কৰাটো আমাৰ পৱিত্ৰ কৰ্তব্য। এই মহৎ উদ্দেশ্য সিদ্ধিৰ বাবে প্ৰতিজন অসমীয়া মানুহে নিজৰ নিজৰ স্থানৰ পৰা সক্ৰিয় ভূমিকা পালন কৰিব লাগিব। কেৱল চৰকাৰক দোষাৰোপ কৰি বা আনৰ ওপৰত দায়িত্ব জাপি দি আমি ভাষাৰ সংকট দূৰ কৰিব নোৱাৰিম। আমাৰ সন্মিলিত প্ৰচেষ্টা, সদিচ্ছা আৰু কামৰ মাজেৰেই অসমীয়া ভাষা চিৰদিন জীয়াই থাকিব। শেহতীয়া ধ্ৰুপদী মৰ্যাদাই এই যাত্ৰাত আমাক নতুন শক্তি আৰু প্ৰেৰণা যোগাইছে, যাক সঠিকভাৱে ব্যৱহাৰ কৰি আমি ভাষাৰ ভৱিষ্যৎ নিশ্চিত কৰিব পাৰোঁ।

শিক্ষকতা ঃ জীৱিকা নহয়, এক পবিত্ৰ জীৱন-ব্ৰত

(২ পৃষ্ঠাৰ পৰা)● শক্তিশালীভাৱে গঢ়ি তোলে। চৰিত্ৰ গঠনৰ প্ৰধান স্থলী হিচাপে পৰিচিত শিক্ষানুষ্ঠানসমূহৰ প্ৰধান খনিকৰ হিচাপে শিক্ষকৰ দায়িত্ব অতি গধুৰ। ছাত্ৰই শিক্ষকৰ প্ৰতিটো সৰু-বৰ কাম অতি নিবিড়ভাৱে নিৰীক্ষণ কৰি থাকে। তেওঁ কেনেকৈ সমাজৰ লগত কথা পাতে, তেওঁৰ আচাৰ-আচৰণ কেনেকুৱা, এই সকলোবোৰ ছাত্ৰৰ বাবে একো একোটা জীৱন্ত আৰু শক্তিশালী পাঠত পৰিণত হয়। গতিকে শিক্ষকৰ ব্যক্তিগত জীৱনটো সদায় স্বচ্ছ আৰু নিৰ্মল হোৱাটো সমাজৰ বাবে অতি আৱশ্যকীয়।

সমাজৰ পৰিৱৰ্তনৰ যি শক্তিশালী চাবিকাঠি শিক্ষকে ধা�ৰণ কৰে, তাৰ দ্বাৰাই এখন আধুনিক ৰাষ্ট্ৰৰ উন্নতি নিৰূপণ কৰা হয়। এখন ৰাষ্ট্ৰৰ প্ৰকৃত উন্নতি অকল ভৌতিক বা অৰ্থনৈতিক প্ৰগতিৰ ওপৰত নিৰ্ভৰ নকৰে, বৰঞ্চ সেই ৰাষ্ট্ৰৰ নাগৰিকসকল কিমান দায়িত্বশীল, শিক্ষিত আৰু সচেতন, তাৰ ওপৰতহে আচলতে নিৰ্ভৰ কৰে। বিশেষকৈ গ্ৰাম্য আৰু পিছপৰা অঞ্চলসমূহৰ শিক্ষাৰ পোহৰ বিলাই দিয়াৰ বাবে যিসকল শিক্ষকে নিৰলস প্ৰচেষ্টা চলাই আছে, তেওঁলোকৰ ত্যাগক সমাজে সদায় শ্ৰদ্ধাৰে সোঁৱৰণ কৰিব লাগে। বৰ্তমান সময়ত আধুনিকতাৰ কৰাল গ্ৰাসত পৰি ড্ৰাগছৰ দৰে ভয়াবহ নিচাৰ পিনে ধাবিত হোৱা নৰ-প্ৰজন্মক ৰক্ষা কৰাৰ বাবে শিক্ষকসকলে এক শক্তিশালী প্ৰতিৰোধক হিচাপে ভূমিকা ল'ব পাৰে। ছাত্ৰ-ছাত্ৰীৰ মানসিক স্বাস্থ্যৰ প্ৰতি সঠিক নজৰ দিয়াটো বৰ্তমান সময়ত অতি আৱশ্যকীয় হৈ পৰিছে। আধুনিক সমাজত প্ৰতিযোগিতাৰ প্ৰচণ্ড হেঁচাত ছাত্ৰসকল প্ৰায়েই মানসিক চাপ আৰু হতাশাত ভোগা দেখা যায়। তেনে এক জটিল সময়ত এজন শিক্ষকে এগৰাকী নিৰ্ভৰযোগ্য বন্ধু আৰু পথ প্ৰদৰ্শকৰ দৰে তেওঁলোকৰ কাষত থিয় দিব লাগে। যান্ত্ৰিকতাৰ এই ধামখুমীয়াত মানৱীয় মূল্যবোধবোৰ যিহেতু ক্ৰমান্বয়ে কমি আহিছে, সেয়েহে শিক্ষকৰ দায়িত্ব এতিয়া অতীততকৈ বহুগুণে বৃদ্ধি পোৱা দেখা গৈছে। জ্ঞানৰ বিস্তাৰৰ বাবে শিক্ষকে যি ত্যাগ স্বীকাৰ কৰে, তাক কোনোধৰণৰ পাৰ্থিৱ অৰ্থেৰে জুখি চোৱাটো সম্ভৱ নপৰে। শিক্ষকতা এক পবিত্ৰ আধ্যাত্মিক যাত্ৰাৰ দৰে, য'ত নিজৰ জ্ঞান আনৰ মাজত বিলাই দি এগৰাকী ব্যক্তিয়ে এক পৰম তৃপ্তি লাভ কৰিবলৈ সক্ষম হয়। সমাজৰ পৰা অজ্ঞানতা আৰু কুসংস্কাৰ দূৰ কৰি এখন সুস্থ আৰু সবল সমাজ গঢ়াৰ যি সপোন, সেই সপোনৰ আচল সাৰথি হ'ল শিক্ষক। গতিকে এই মহান সেৰাক অকল এটা জীৱিকা বুলি অভিহিত কৰাটো ● (৪পৃষ্ঠাত)

গছ-গছনি ধ্বংসৰ পৰিণাম

(যোৱা সংখ্যাৰ পৰা) বিশ্বৰ বহুতো স্থানীয় জনজাতি, আদিবাসী সমাজ, আৰু কৃষি ভিত্তিক সমাজ আছে যিসকলে তেওঁলোকৰ দৈনন্দিন জীৱন ধাৰণৰ বাবে পোনপটীয়াকৈ আৰু সম্পূৰ্ণৰূপে অৰণ্যৰ ওপৰত নিৰ্ভৰ কৰে। তেওঁলোকে অৰণ্যৰ পৰা খাদ্য, বনৌষধি, ঘৰ সাজিবলৈ কাঠ, আৰু আন বহুতো প্ৰয়োজনীয় সামগ্ৰী সংগ্ৰহ কৰে আৰু তেওঁলোকৰ সংস্কৃতি, পৰম্পৰা, আৰু জীৱনশৈলী অৰণ্যৰ সৈতে ওতপ্ৰোতভাৱে জড়িত। তেওঁলোকৰ পৰিচয়, জ্ঞান আৰু জীৱন ধাৰণৰ পদ্ধতি অৰণ্যৰ সৈতে অভিন্ন। যেতিয়া অৰণ্যসমূহ ধ্বংস হয়, তেতিয়া এই লোকসকলে তেওঁলোকৰ জীৱিকাৰ প্ৰধান পথ, খাদ্য সুৰক্ষা, আৰু সাংস্কৃতিক ভেটি হেৰুৱায় আৰু দৰিদ্ৰতাৰ এক গভীৰ গৰ্ভত সোমাইপৰে। ইয়াৰ ফলত তেওঁলোকে তেওঁলোকৰ চিৰাচৰিত বাসস্থান এৰি জীয়াই থকাৰ আশাত চহৰ বা আন ঠাইলৈ প্ৰব্ৰজন কৰিবলৈ বাধ্য হয়, যাৰ ফলত নতুন সামাজিক আৰু সাংস্কৃতিক সংঘাতৰ সৃষ্টি হয় আৰু নগৰ অঞ্চলত জন সংখ্যাৰ হেঁচা বাঢ়ে। এইপ্ৰব্ৰজনে চহৰসমূহত দৰিদ্ৰতা, অপৰাধ আৰু স্বাস্থ্যজনিত সমস্যাও বৃদ্ধি কৰে। তদুপৰি, গছ-গছনি ধ্বংসৰ ফলত সৃষ্টি হোৱা পৰিৱেশগত সমস্যা, যেনে দীৰ্ঘদিনীয়া খৰাং বা প্ৰচণ্ড বানপানী, কৃষি ভিত্তিক সমাজসমূহৰ অৰ্থনীতিত এক ডাঙৰ হেঁচা সৃষ্টি কৰে আৰু শস্য নষ্ট কৰে। শস্য উৎপাদন হ্ৰাস হোৱাৰ ফলত খাদ্যৰ নাটনি হয়, যিটো ক্ৰমান্বয়ে মূল্যবৃদ্ধি আৰু আৰ্থিক অস্থিৰতালৈ ৰূপান্তৰিত হয়, যাৰ ফলত সাধাৰণ লোকৰ জীৱন ধাৰণৰ মান নিম্নগামী হয় আৰু ঋণগ্ৰস্ততা বাঢ়ি আহে। অৰণ্যৰ ওপৰত নিৰ্ভৰশীল উদ্যোগ, যেনে কাগজ, কাঠ, আৰু বনৌষধিৰ যোগানৰ সৈতে জড়িত উদ্যোগসমূহো ধ্বংসৰ কবলত পৰে আৰু বহুতো লোক নিবনুৱা হয়। এইদৰে, গছ-গছনিৰ ধ্বংস কেৱল এক পৰিৱেশগত সমস্যা হৈ নাথাকে, বৰং ই এক জটিল সামাজিক আৰু অৰ্থনৈতিক সংকটৰ সৃষ্টি কৰে যিয়ে সমগ্ৰ মানৱ সমাজক অস্থিৰ কৰি তোলে আৰু সমাজৰ বিভিন্ন স্তৰত বৈষম্যতা বৃদ্ধি কৰে। এইপ্ৰভাৱসমূহে দীৰ্ঘম্যাদীভাৱে এখন সমাজৰ স্থিৰতা, নিৰাপত্তা আৰু বিকাশৰ পথত বাধা দিয়ে, যাৰ ফলত দৰিদ্ৰতা আৰু সামাজিক বৈষম্যতা বৃদ্ধি পায় আৰু আইন-শৃংখলাৰ অৱনতি ঘটে।

অৰণ্যসমূহ কেৱল প্ৰাণীৰ বাসস্থান নহয়, বৰং ই মানুহৰ মন আৰু আত্মাৰ বাবেও এক শান্তি, নিৰাময় আৰু পুনৰ্জীৱনৰ স্থান। বহু সংস্কৃতিয়ে অৰণ্যক পৱিত্ৰ স্থান হিচাপে গণ্য কৰে, য'ত তেওঁলোকে তেওঁলোকৰ ধৰ্মীয় আচাৰ-অনুষ্ঠান আৰু ধ্যান-ধাৰণা কৰে, আৰু ইয়াৰ সৈতে তেওঁলোকৰ গভীৰ আধ্যাত্মিক আৰু দাৰ্শনিক সম্পৰ্ক থাকে। যেতিয়া এই অৰণ্যসমূহ ধ্বংস হয়, তেতিয়া সেই লোকসকলে কেৱল তেওঁলোকৰ প্ৰাকৃতিক সম্পদ হেৰুৱায় নহয়, বৰং তেওঁলোকৰ সাংস্কৃতিক পৰিচয়, পৰম্পৰাগত জ্ঞান আৰু আধ্যাত্মিক শান্তিও হেৰুৱায়। প্ৰকৃতিৰ পৰা আঁতৰি অহাৰ ফলত মানুহৰ মানসিক চাপ, উদ্বেগ আৰু হতাশা বৃদ্ধি হয়, কিয়নো সেউজীয়া আৰু শান্ত পৰিৱেশে মানুহক স্বাভাৱিকভাৱে শান্তি আৰু নিৰাময় প্ৰদান কৰে। গছ-গছনিৰ অভাৱে বিশেষকৈ নগৰীয়া অঞ্চলত মানুহৰ জীৱনৰ মানদণ্ড হ্ৰাস কৰে, কাৰণ প্ৰাকৃতিক সৌন্দৰ্য্য আৰু মুক্ত বায়ুৰ অভাৱ হয়। ইয়াৰ ফলত সম্প্ৰদায়সমূহৰ মাজত এক স্বাভাৱিক সংযোগৰ অভাৱ হয় আৰু একঘেয়ামী, কৃত্ৰিম জীৱনশৈলীৰ প্ৰাদুর্ভাৱ ঘটে। অৰণ্যৰ ধ্বংসৰ ফলত সৃষ্টি হোৱা জলবায়ুৰ পৰিৱৰ্তন আৰু প্ৰাকৃতিক দুৰ্যোগে মানুহৰ মনত এক স্থায়ী ভয় আৰু অনিশ্চয়তাৰ ভাব সৃষ্টি কৰে, যাৰ ফলত তেওঁলোকৰ ভৱিষ্যতৰ প্ৰতি থকা আশা কমি যায়। এই সকলোবোৰ মানসিক আৰু আধ্যাত্মিক প্ৰভাৱৰ ফলত সমাজত হতাশা, বিশৃংখলতা আৰু জীৱনৰ প্ৰতি অনীহা বাঢ়ি আহে, যিয়ে এক সুস্থ, সুখী আৰু সুষম সমাজ গঠনত বাধা দিয়ে। অৰণ্যসমূহৰ ধ্বংস কেৱল মাটিৰ ক্ষতি নহয়, বৰং ই মানৱ মন, আত্মা আৰু সমাজৰ স্থিৰতাৰ ওপৰতো এক গভীৰ আঘাত।

ইয়াৰ উপৰিও, গছ-গছনি ধ্বংসৰ ফলত বিশ্বজুৰি পানীৰ চক্ৰ আৰু ইয়াৰ গুণাগুণ সম্পূৰ্ণৰূপে বিশৃংখল হৈ পৰে, যিয়ে প্ৰত্যক্ষভাৱে জীৱনৰ ওপৰত প্ৰভাৱ পেলায়। অৰণ্যসমূহে কেৱল সেউজগৃহ গেছ শোষণ কৰিয়েই নহয়, বৰং ইয়াৰ পাতৰ মাজেৰে হোৱা বাষ্পীভৱনৰ প্ৰক্ৰিয়াৰ দ্বাৰা বৃহৎ পৰিমাণৰ জলীয় বাষ্প বায়ুমণ্ডললৈ এৰি দি বৰষুণৰ সৃষ্টিত সহায় কৰে। ইয়াৰ ফলত মহাদেশীয় অঞ্চলসমূহত বৰষুণৰ যোগান স্বাভাৱিক হৈ থাকে। যেতিয়া অৰণ্যসমূহ ধ্বংস হয়, তেতিয়া বাষ্পীভৱনৰ প্ৰক্ৰিয়া হ্ৰাস হয়, যাৰ ফলত সেই অঞ্চলসমূহত বৰষুণৰ মাত্ৰা কমি যায় আৰু ক্ৰমান্বয়ে ই খৰাঙৰ কবলত পৰে। গছ-গছনিৰ অভাৱে নদী আৰু ভূগৰ্ভস্থ পানীৰ উৎসসমূহক প্ৰত্যক্ষভাৱে প্ৰভাৱিত কৰে। অৰণ্যই পানী ফিল্টাৰ কৰে আৰু বিশুদ্ধ কৰে, কিন্তু ধ্বংসৰ ফলত নদীসমূহত মাটিৰ পলস জমা হয় আৰু পানীৰ গুণাগুণ হ্ৰাস পায়। ই কেৱল স্থানীয় জলবায়ুকে প্ৰভাৱিত নকৰে, বৰং ই এক বিশাল অঞ্চলৰ জলবায়ুৰ আৰ্হিত পৰিৱৰ্তন আনে, যাৰ ফলত সমগ্ৰ পৃথিৱীৰ বতৰৰ চক্ৰ বিশৃংখল হয়। পানীৰ অভাৱৰ ফলত মানুহৰ স্বাস্থ্যৰ ওপৰত গভীৰভাৱে প্ৰভাৱ পৰে, বিশেষকৈ পানীৰ দ্বাৰা বিয়পা ৰোগসমূহৰ প্ৰাদুর্ভাৱ বৃদ্ধি পায়। এইদৰে, গছ-গছনি ধ্বংস হৈছে এক জটিল সমস্যা, যাৰ ফলত পানীৰ নিৰাপত্তা আৰু বিশুদ্ধতা হেৰাই যায়।

পৰিশেষত ক'ব পাৰি যে, গছ-গছনি ধ্বংস এক আত্মঘাতী, দূৰদৃষ্টিহীন আৰু অপূৰণীয় প্ৰক্ৰিয়া, যিয়ে সমগ্ৰ মানৱ সমাজৰ অস্তিত্বকে প্ৰশ্নবোধক কৰি তুলিছে। যি সম্পদৰ ওপৰত আমাৰ জীৱন, সভ্যতা আৰু ভৱিষ্যত নিৰ্ভৰশীল, সেই সম্পদৰ অবিৰত আৰু অনিয়ন্ত্ৰিত বিনাশে সমগ্ৰ মানৱ সমাজক এক ডাঙৰ অনিশ্চয়তাৰ মাজলৈ ঠেলি দিছে। গোলকীয় উষ্ণতা বৃদ্ধি, ভূমিৰ ক্ষয়, জীৱ-বৈচিত্ৰ্যৰ বিলুপ্তি, সামাজিক-অৰ্থনৈতিক সংকট, মানসিক শান্তিৰ অভাৱ আৰু জলচক্ৰৰ বিশৃংখলতা — এই সকলোবোৰ কেৱল ক্ষণস্থায়ী সমস্যা নহয়, বৰং এইবোৰ গছ-গছনিৰ ধ্বংসৰ ফলত সৃষ্টি হোৱা এক ভয়ংকৰ আৰু অপ্ৰিয় বাস্তৱতা। এই সংকটৰ মোকাবিলা কৰিবলৈ হ'লে কেৱল গছ কটা বন্ধ কৰিলেই নহ'ব, বৰং বৃহৎ হাৰত পুনৰ বনাঞ্চল সৃষ্টিৰ বাবেও চৰকাৰী আৰু ব্যক্তিগত পৰ্যায়ত গুৰুত্বপূৰ্ণ, দীৰ্ঘম্যাদী আৰু সুপৰিকল্পিত প্ৰচেষ্টা হাতত ল'ব লাগিব। আমি আমাৰ দৃষ্টিভংগী অতি সোনকালে সলনি কৰিব লাগিব আৰু গছ-গছনিলৈ কেৱল কাঠ বা আৰ্থিক সম্পদ হিচাপে নহয়, বৰং জীৱনৰ আধাৰ আৰু আমাৰ অস্তিত্বৰ বাবে অপৰিহাৰ্য উপাদান হিচাপে চাব লাগিব। প্ৰকৃতিৰ সৈতে এক সুষম আৰু সন্মানজনক ভাৱসাম্য ৰক্ষা কৰি চলাটো বৰ্তমানৰ মানৱ সমাজৰ বাবে আটাইতকৈ গুৰুত্বপূৰ্ণ আৰু জৰুৰী কৰ্তব্য। এই গুৰুত্ব উপলব্ধি কৰিবলৈ ব্যৰ্থ হ'লে, ভৱিষ্যতে আমি এক এনে পৃথিৱীৰ সন্মুখীন হ'ম য'ত স্বাভাৱিক, সুস্থ আৰু শান্তিপূৰ্ণ জীৱন ধাৰণ কৰাটো এক ডাঙৰ প্ৰত্যাহ্বান হ'ব। এই ধ্বংসৰ চক্ৰ বন্ধ কৰিবলৈ সকলোৰে সন্মিলিত, তাৎক্ষণিক আৰু সুপৰিকল্পিত প্ৰচেষ্টাৰ অতি প্ৰয়োজন। প্ৰতিজন নাগৰিকে বন সংৰক্ষণৰ দায়িত্ব লৈ বনাঞ্চলসমূহক নিজৰ জীৱনৰ অংশ হিচাপে গণ্য কৰিলেহে এই পৃথিৱীখন ভৱিষ্যত প্ৰজন্মৰ বাবে বাসোপযোগী হৈ উঠিব আৰু এই বিশাল সম্পদৰ বিনাশৰ পৰা আমি নিজক ৰক্ষা কৰিব পাৰিম।

শিক্ষকতা ঃ জীৱিকা নহয়, এক পবিত্ৰ জীৱন-ব্ৰত

(৩পৃষ্ঠাৰ পৰা)● একপ্ৰকাৰ অন্যায় বুলি গণ্য কৰা হ'ব পাৰে।

এগৰাকী প্ৰকৃত শিক্ষকৰ প্ৰধান কাম হ'ল ছাত্ৰৰ মাজত নিহিত হৈ থকা সুপ্ত প্ৰতিভাটোক চিনাক্ত কৰি তাক সঠিক দিশত বিকশিত কৰিবলৈ অনুপ্ৰাণিত কৰা। সমাজৰ প্ৰতিটো কোণত জ্ঞানৰ পোহৰ বিলাই দিয়াৰ বাবে শিক্ষকে নিজকে নিৰন্তৰ অধ্যয়ন আৰু জ্ঞানৰ চৰ্চাত নিয়োজিত ৰাখিব লাগে। যিদৰে এডাল মমবাতিয়ে নিজে ক্ষয় হৈ জগতক পোহৰ দিয়ে, ঠিক তেনেকৈ এগৰাকী শিক্ষকেও নিজৰ শ্ৰম, মেধা আৰু সময়ৰ বিনিময়ত সমাজক শিক্ষিত কৰি তোলে। এই নিঃস্বাৰ্থ সেৱাৰ বাবেই শিক্ষকক সমাজৰ আটাইতকৈ মৰ্যাদাপূৰ্ণ আৰু সন্মানীয় ব্যক্তি হিচাপে চিৰকাল গণ্য কৰা হয়। শিক্ষাৰ মান উন্নত কৰাৰ লগতে ছাত্ৰৰ অন্তৰত নৈতিকতাৰ বীজ সিঁচি দিয়াটোৱেই শিক্ষকতাৰ আচল আৰু একমাত্ৰ মন্ত্ৰ। এই মন্ত্ৰ যিয়ে আন্তৰিকতাৰে গ্ৰহণ কৰে, তেওঁৰ বাবে শিক্ষকতা এক পবিত্ৰ কৰ্তব্যত পৰিণত হয়। এই যাত্ৰাত হয়তো বহুতো আৰ্থিক বা সামাজিক বাধা-বিঘিনি আহিব পাৰে, কিন্তু এজন নিষ্ঠাৱান শিক্ষকে কেতিয়াও নিজৰ মহান লক্ষ্যৰ পৰা বিচলিত নহয়। তেওঁৰ ধীৰ-স্থিৰ ব্যক্তিত্ব আৰু জ্ঞানৰ গভীৰতাই সমাজক এক নতুন প্ৰেৰণা আৰু দিশ প্ৰদান কৰে। শিক্ষকতাৰ এই পবিত্ৰ যাত্ৰা মানৱ সভ্যতা বিৰাজমান থকালৈকে অব্যাহত থাকিব। এজন শিক্ষকে যি জ্ঞানৰ বৰ্ত্তি এবাৰ জ্বলাই দিয়ে, সেই বৰ্ত্তিয়েই অন্ধকাৰ সমাজত পোহৰৰ বাট দেখুৱাই থাকে। শিক্ষকৰ অৱসৰ হয়তো বিভাগীয় চাকৰিৰ ফালৰ পৰা হয়, কিন্তু তেওঁৰ আদর্শ আৰু শিক্ষাৰ কেতিয়াও অৱসৰ নঘটে। এগৰাকী পুৰণি ছাত্ৰই যেতিয়া বহু বছৰৰ পিছত নিজৰ শিক্ষকজনক লগ পায়, তেতিয়া তেওঁৰ মনত যি শ্ৰদ্ধা আৰু ভক্তি জাগ্ৰত হয়, সেই শ্ৰদ্ধাক পৃথিৱীৰ কোনো দামী উপহাৰৰ সৈতে তুলনা কৰিব নোৱাৰি। এই শ্ৰদ্ধা আৰু মৰমেই হ'ল শিক্ষকতাৰ আটাইতকৈ ডাঙৰ সম্পত্তি।

বৰ্তমানৰ গোলকীয় প্ৰেক্ষাপটত সমাজত শিক্ষকৰ মৰ্যাদা ৰক্ষা কৰাটো প্ৰতিজন সচেতন নাগৰিকৰ এক নৈতিক কৰ্তব্য। এখন সমাজে শিক্ষকক যিমান বেছি সন্মান দিব পাৰিব, সেই সমাজখন বৌদ্ধিকভাৱে সিমানেই উচ্চস্তৰলৈ গতি কৰিব পাৰিব। বৰ্তমান সমাজত মূল্যবোধৰ যি ঘোৰ সংকট দেখা গৈছে, তাৰ পৰা পৰিত্ৰাণ পাবলৈ হ'লে আমি পুনৰ শিক্ষকৰ নীতি-শিক্ষা আৰু আদর্শৰ আশ্ৰয় ল'বই লাগিব। নৈতিক শিক্ষা অবিহনে লাভ কৰা দামী ডিগ্ৰীসমূহ সমাজৰ বাবে কেতিয়াবা বিপজ্জনক হৈ উঠিব পাৰে। সেয়েহে শিক্ষানুষ্ঠানসমূহৰ পৰিৱেশত নৈতিকতাৰ শিক্ষাৰ ওপৰত অধিক গুৰুত্ব দিয়াটো দৰকাৰ। এজন আদর্শ শিক্ষকে ভালদৰে জানে যে তেওঁৰ কাম অকল এজন ছাত্ৰক পাঠ্যপুথি পঢ়োৱাই নপৰে, বৰঞ্চ এখন শক্তিশালী দেশৰ ভৱিষ্যৎ নির্মাণ কৰাটোও তেওঁৰ জীৱনৰ মূল লক্ষ্য। এই লক্ষ্যত উপনীত হ'বলৈ তেওঁ যি নিৰলস শ্ৰম আৰু সাধনা কৰে, তাৰ বাবে সমগ্ৰ মানৱ জাতি তেওঁৰ ওচৰত চিৰকাল ঋণী হৈ থাকিব।

শিক্ষা গ্ৰহণৰ পবিত্ৰ প্ৰক্ৰিয়াত মানৱীয় আৱেগ আৰু মৰমৰ এক বিশেষ স্থান আছে। এজন শিক্ষকে ছাত্ৰৰ চকুত ধৰা পৰা ভয়, শংকা বা দ্বিধা অতি সহজে বুজি পায় আৰু তাক মৰমেৰে দূৰ কৰিবলৈ অন্তৰেৰে যত্ন কৰে। এই উমাল মানৱীয় স্পর্শ কোনো যান্ত্ৰিক মাধ্যম বা কৃত্ৰিম বুদ্ধিমত্তাৰ পৰা পোৱা নাযায়। ইয়াৰ উপৰি সমাজত চলি থকা বিভিন্ন অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ বিৰুদ্ধে যুঁজ দিয়াৰ বাবে শিক্ষকসকল সজাগ আৰু প্ৰস্তুত হোৱাটো অতি প্ৰয়োজনীয়। সমাজৰ এগৰাকী সজাগ প্ৰহৰী হিচাপে তেওঁলোকৰ এক সুকীয়া মর্যাদা আছে। দেশৰ আইন, সংবিধান আৰু গণতন্ত্ৰৰ প্ৰতি সন্মান জনোৱাৰ শিক্ষা শিক্ষানুষ্ঠানৰ শ্ৰেণীকোঠাৰ পৰাই আৰম্ভ হয়। এজন দায়িত্বশীল আৰু সুনাগৰিক হিচাপে এজন ব্যক্তিক গঢ় দিয়াটো শিক্ষকৰ এক অনস্বীকার্য সামাজিক দায়বদ্ধতা। আজিৰ অতি আধুনিক ডিজিটেল যুগত চাইবাৰ অপৰাধৰ দৰে নতুন নতুন সামাজিক সমস্যাৰ সৃষ্টি হৈছে। এই সমস্যাবোৰৰ পৰা ছাত্ৰ-ছাত্ৰীক কেনেকৈ মানসিক আৰু কাৰিকৰীভাৱে সুৰক্ষিত কৰি ৰাখিব পাৰি, তাৰ বাবে শিক্ষকসকলে এক বিশেষ ভূমিকা গ্ৰহণ কৰা উচিত।

এজন সফল আৰু সার্থক শিক্ষক সেইজনেই যিয়ে ছাত্ৰক জীৱনৰ যুঁজত জিকিবলৈ শিকাৰ লগতে হাৰ মানিলেও কেনেকৈ পুনৰ আত্মবিশ্বাসেৰে থিয় হ'ব লাগে, সেই চৰম শিক্ষা প্ৰদান কৰে। জীৱনৰ কঠিন সময়ত শিক্ষকৰ এষাৰ উপদেশ বা এষাৰ মৰমৰ মাত ছাত্ৰৰ বাবে পৰম আশীর্বাদ হৈ পৰে। সমাজত শান্তি, একতা আৰু সম্প্ৰীতি বর্তাই ৰখাৰ ক্ষেত্ৰত শিক্ষকৰ দান অপৰিসীম বুলি বিবেচিত হয়। তেওঁৰ ব্যক্তিগত চৰিত্ৰৰ দৃঢ়তাই সমাজৰ আন দহজনক ভাল কাম কৰিবলৈ অনুপ্ৰাণিত কৰে। এজন শিক্ষকৰ জীৱনটো এক মুকলি কিতাপৰ দৰে হ'ব লাগে, য'ৰ পৰা সকলো স্তৰৰ মানুহে কিবা নাৰ কিবা জ্ঞান লাভ কৰিব পাৰে। এই পবিত্ৰতা আৰু মহানতাৰ বাবেই শিক্ষকতা অকল এটা বৃত্তি নপৰে, বৰঞ্চ এয়া এজন ব্যক্তিৰ জীৱনৰ চৰম লক্ষ্য আৰু সাফল্যত পৰিণত হয়। সমাজ গঢ়াৰ এই মহান খনিকৰসকলক আমি সকলোৱে সদায় শ্ৰদ্ধাৰে মূৰ দোৱাওঁ। তেওঁলোকৰ আশীর্বাদ আৰু শিক্ষাই আমাক এক উন্নত, সুস্থ আৰু শান্তিপূর্ণ বিশ্ব গঢ়াত সহায় কৰিব। এই মহান ব্ৰতৰ মর্যাদা যুগে যুগে অক্ষুণ্ণ থকাটো সমাজৰ বাবে অত্যন্ত জৰুৰী। য'ত শিক্ষকৰ সন্মান অটুট থাকে, সেই ঠাইতে প্ৰকৃত উন্নতি আৰু সমৃদ্ধিৰ বাস হয়।

শিক্ষকতা এক পবিত্ৰ আধ্যাত্মিক যাত্ৰাৰ দৰে, য'ত নিজৰ জ্ঞান আৰু অভিজ্ঞতা আনৰ মাজত বিলাই দি এগৰাকী ব্যক্তিয়ে যি পৰম তৃপ্তি লাভ কৰিবলৈ সক্ষম হয়, তাৰ কোনো বিকল্প নাই। সমাজৰ পৰা অজ্ঞানতা, ধর্মীয় সংকীর্ণতা আৰু কুসংস্কাৰ দূৰ কৰি এখন সুস্থ সমাজ গঢ়াৰ যি পবিত্ৰ সপোন, সেই সপোনৰ আচল সাৰথি হ'ল শিক্ষক। গতিকে এই মহান সেৱাক অকল জীৱিকা বুলি অভিহিত কৰাটো ভুল হ'ব পাৰে। এয়া এক জীৱনজোৰা ব্ৰত, যিটো ব্ৰত পালন কৰিবলৈ এজন ব্যক্তিয়ে নিজৰ সমগ্ৰ জীৱন আৰু মেধা উৎসর্গা কৰিবলগীয়া হয়। জ্ঞানৰ বিস্তাৰৰ বাবে শিক্ষকে যি ত্যাগ স্বীকাৰ কৰে, তাক কোনো অর্থেৰে জুখি চোৱাটো অসম্ভৱ কথা। শিক্ষকতাৰ জৰিয়তে যি বৌদ্ধিক সম্পদ আৰু মানৱ সম্পদ সৃষ্টি হয়, সেয়াই যিকোনো ৰাষ্ট্ৰৰ প্ৰকৃত শক্তি হিচাপে পৰিগণিত হয়। এজন প্ৰকৃত শিক্ষকে কোনোদিন নিজৰ কর্তব্যত গাফিলতি নকৰে, কাৰণ তেওঁ হৃদয়েৰে জানে যে তেওঁৰ হাতত দেশৰ ভৱিষ্যত প্ৰজন্মৰ ভাগ্য সুৰক্ষিত হৈ আছে।

মানৱ সভ্যতাৰ অগ্ৰগতিৰ প্ৰতিটো খোজত শিক্ষকৰ অবদান অনস্বীকার্য। সেয়ে শিক্ষকতাক অকল এটা জীৱিকা বুলি কোৱা নহয় শিক্ষকতা হ'ল মানৱ আত্মাৰ নির্মাণৰ এক মহান কাৰখানা। এজন শিক্ষকে সমাজত যি পোহৰৰ বীজ সিঁচি দিয়ে, সেই বীজে ভৱিষ্যতে একো একোপাত বিশাল মহীৰুহ হৈ সমাজক আশ্ৰয় প্ৰদান কৰে। আজিৰ দ্ৰুত পৰিৱর্তনশীল পৃথিৱীত শিক্ষকৰ ভূমিকা অধিক প্ৰত্যাহ্বানমূলক হৈ পৰিছে যদিও ইয়াৰ পবিত্ৰতা আৰু গুৰুত্ব অলপো ম্লান পৰা নাই। শিক্ষক হ'ল সেইজন ব্যক্তি যিয়ে নিজে জ্বলি সমাজক পোহৰ দিয়ে আৰু নিজে স্থিতপ্ৰজ্ঞ হৈ আনক আগুৱাই যোৱাৰ সাহস যোগায়। এজন আদর্শ শিক্ষকৰ আদর্শই ছাত্ৰৰ জীৱনত চিৰস্থায়ী প্ৰভাৱ পেলায় আৰু এক সুস্থ সমাজ গঢ়াত সহায় কৰে। শিক্ষকতাৰ এই মহান ব্ৰত যিসকল ব্যক্তিয়ে আন্তৰিকতাৰে পালন কৰিছে, তেওঁলোকৰ চৰণত আমাৰ অলেখ শ্ৰদ্ধা। তেওঁলোকৰ নিৰলস সাধনাই আমাৰ পৃথিৱীখনক আজিও সুন্দৰ আৰু বাসযোগ্য কৰি ৰাখিছে। অনাগত দিনবোৰতো আমাক এনে একো একোটা নিভাঁজ আৰু নিস্বার্থ চৰিত্ৰৰ শিক্ষকৰ প্ৰয়োজন, যিয়ে আমাক অন্ধকাৰৰ মাজতো সঁচা পোহৰৰ পথ দেখুৱাব পাৰিব। শিক্ষকতা অকল এটা জীৱিকা বুলি ধৰি লোৱাটো আমাৰ সমাজৰ বাবে দুর্ভাগ্যজনক হ'ব পাৰে, কাৰণ ই হ'ল এক মহৎ উদ্দেশ্যৰ বাবে কৰা এক নিৰবচ্ছিন্ন জীৱনজোৰা সংগ্ৰাম। এই সংগ্ৰামৰ জৰিয়তেহে সমাজত সত্য, ন্যায় আৰু প্ৰজ্ঞাৰ জয় হ'ব। প্ৰতিজন শিক্ষকেই যেন নিজৰ এই মহান আৰু ঈশ্বৰীয় দায়িত্বৰ কথা হৃদয়েৰে অনুভৱ কৰিব পাৰে, সেয়াই আমাৰ একান্ত কামনা। সমাজ গঢ়াৰ এই মহান খনিকৰসকলৰ আশীর্বাদ আৰু শিক্ষাই আমাক এক উন্নত আৰু শান্তিপূর্ণ বিশ্ব গঢ়াত সহায় কৰিব। এই মহান ব্ৰতৰ মর্যাদা যুগে যুগে অক্ষুণ্ণ থাকক আৰু শিক্ষকৰ সন্মান সমাজত সদায় অটুট থাকক।

নাথ-যোগীসকলক খিলঞ্জীয়া জনগোষ্ঠীৰ অন্তর্ভুক্ত কৰাৰ দাবী

(১ পৃষ্ঠাৰ পৰা)● যোগী সন্মিলনীয়ে। অলপতে মৰিগাঁও জিলা সাংবাদিক সভাৰ সভাগৃহত এক সংবাদমেল সম্বোধন কৰি এই দাবী উত্থাপন কৰে অসম প্ৰাদেশিক যোগী সন্মিলনীৰ সভাপতি ধীৰেন চন্দ্ৰ নাথে। সংবাদমেলত উপস্থিত আছিল সন্মিলনীৰ উপদেষ্টা কীর্তিনাথ, উপা-সভাপতি উদয়নাথ, মৰিগাঁও জিলা সমিতিৰ সভাপতি ৰমেন নাথ, সম্পাদক নিতুমণি নাথ, সন্মিলনীৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক সুশীল নাথ, মহিলা সমিতিৰ সভানেত্ৰী জেউতি দেৱী, নাথ-যোগী যুৱ পৰিষদৰ সম্পাদক বিপ্লৱ নাথ, মহিলা সন্মিলনীৰ জিলা সম্পাদিকা পদ্মা দেৱী, জনগোষ্ঠীটোৰ নেতা সুদর্শন দাথ, তীথেন্দ্ৰ ভাৰতী প্ৰমুখ্যে নেতৃবৃন্দ। সংবাদমেলত সভাপতি ধীৰেন নাথে কয়ঃ ৰাজ্যৰ ঐতিহ্যপূর্ণ সংৰক্ষিত এলেকাসমূহৰ ৫ কিলোমিটাৰ জুৰি অখিলঞ্জীয়া লোকৰ ভূমি ক্ৰয় বাৰণ কৰি ২০২৬ চনত প্ৰস্তুত কৰা বিধেয়কখন আমি আদৰণি জনাইছো। কিন্তু নাথ যোগীকে ধৰি জনগোষ্ঠীটো 'নাথ-যোগী' হিচাপে চৰকাৰে স্বীকৃতি দিয়াৰ আবেদন জনায়। সভাপতিগৰাকীয়ে অসম প্ৰাদেশিক যোগী সন্মিলনৰ ১০৭ বর্ষীয় অধিৱেশনখন ডিচেম্বৰ মাহৰ ২৫, ২৬, ২৭ তাৰিখে মৰিগাঁও জিলাৰ চৰাইবাহীত অনুষ্ঠিত হ'ব বুলি অৱগত কৰে। ইপিনে অভ্যর্থনা সমিতিৰ যুটীয়া সম্পাদক দিপুল কুমাৰ নাথে অধিৱেশনখন সফল কৰি তোলাৰ বাবে সকলো স্তৰৰ ৰাইজৰ প্ৰতি আহ্বান জনায়।

মৰিগাঁৱৰ অনন্ত বৰঠাকুৰক অসম চৰকাৰৰ শ্ৰেষ্ঠ প্ৰশিক্ষকৰ ৰাজ্যিক

(১ পৃষ্ঠাৰ পৰা)● বিশ্বজিৎ দৈমাৰীয়ে। উল্লেখ্য যে শিৱসাগৰ জিলাৰ কালুগাঁৱত জন্মগ্ৰহণ কৰা অনন্ত বৰঠাকুৱে ২০০৭ বৰ্ষত মৰিগাঁও চহৰৰ সমীপৱৰ্তী চাৰণ বিলৰ কায়াকিং আৰু কেনয়িং প্ৰশিক্ষণ প্ৰতিষ্ঠানটোত মুখ্য প্ৰশিক্ষক হিচাপে যোগদান কৰিছিল। উল্লেখ্য যে তেওঁৰ বলিষ্ঠ নেতৃত্বতে এই প্ৰতিষ্ঠানটোৰ প্ৰশিক্ষাৰ্থীয়ে বৰ্তমানলৈকে ৰাষ্ট্ৰীয় পৰ্যায়ত ২২ টা গ'ল্ড ৩১ টা চিলভাৰ আৰু ৬০ টা ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে।

মায়ঙৰ বৰপাকত পাৰঘাটৰ নিবিদাক লৈ কেলেংকাৰী

(১পৃষ্ঠাৰ পৰা)●লৈ ৰাইজৰ মাজত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। জানিব পৰামতে পঞ্চায়তৰ সচিবগৰাকীয়ে ৰাজহুৱা ঠাইত এখনো জাননী আৰি নিদিয়াকৈ আৰু মাইকযোগে ৰাইজৰ মাজত প্ৰচাৰ নকৰি অতি কৌশলেৰে কেৱল মাত্ৰ তিনিজন লোকক পঞ্চায়ত কার্যালয়লৈ মাতি নি নিশা আঠ বজাত পাৰঘাট কেইটাৰ আবণ্টন দিয়াৰ প্ৰক্ৰিয়া সম্পন্ন কৰে। সেই সময়ত গাঁও পঞ্চায়তৰ সভানেত্ৰীগৰাকী, সচিব আৰু পঞ্চায়তৰ এজন সদস্যৰ বাদে আন কোনো উপস্থিত নাছিল। আনকি পঞ্চায়তৰ অন্তৰ্গত ভালেসংখ্যক যুৱকে এইবাৰ বজাৰখনৰ নিবিদা দাখিল কৰিবলৈ মন কৰিছিল যদিও সেই আশাত চেঁচাপানী ঢালিলে পঞ্চায়তৰ সচিবগৰাকীয়ে। অত্যন্ত পৰিকল্পিতভাবে সংগোপনে সচিবগৰাকীয়ে নিশাৰ ভাগত দুজনমানক মাথোঁ এই কথা অৱগত কৰিছিল। উল্লেখ্য পূৰ্বৰ মহলদাৰ তিনিজনকো কোনো খবৰ দিয়া নহ'ল বুলি জানিব পৰা গৈছে। কি ৰহস্যজনক কাৰণত এই পন্থা ল'ব লগা হ'ল সেয়া এতিয়াও স্পষ্ট হোৱা নাই যদিও সন্দেহৰ আবর্তত সোমাই পৰিছে। প্ৰাপ্ত অভিযোগ মতে যিজন সচিবক মাহটোৰ ত্ৰিশ দিনৰ সাত দিনো পঞ্চায়তৰ কার্যালয় সময়ত বিচাৰি পোৱা নাযায়। সেইজন সচিবে নিশা আন্ধাৰত আহি বজাৰ পাৰঘাটৰ আবণ্টন প্ৰক্ৰিয়াত উপস্থিত থকা বিষয়টোয়ে এই প্ৰক্ৰিয়াত যে ধনৰ লেনদেন হৈছে সেয়া স্পষ্ট। সম্পূৰ্ণ নীতি-নিয়ম উলংঘা কৰি ধন লেনদেনৰে এই পাৰঘাটৰ বন্দৰস্ত দিয়াৰ ফল ৰাইজে হে ভুগিব লাগিব। কাৰণ ইমান বৃহৎ পৰিমাণৰ লেনদেন কৰি পাৰঘাট চলাবলৈ গৈ মহলদাৰে এই লোকচান পূৰাবলৈ গৈ নিৰীহ জনতাৰ ওপৰত ৰামটাঙোন দিব সেয়া একপ্ৰকাৰ নিশ্চিত। তদুপৰি নিবিদা আহ্বানৰ পূৰ্বে গাঁও পঞ্চায়ত কার্যালয়ত এখন কার্যকৰী সভা অনুষ্ঠিত নকৰাৰ ফলত উপ-সভাপতি আৰু ৰার্ড সদস্যসকলৰ মাজত তীব্ৰ ক্ষোভ বৃদ্ধি পাইছে। কিয় ৰার্ড সদস্যসকলক অন্ধকাৰত ৰখা হ'ল তাৰ উত্তৰ বিচাৰিছে এতিয়াৰ ৰার্ড সদস্যসকলে। অলপতে নিশা যি প্ৰক্ৰিয়াৰে মৰিগাঁও জিলাৰ এই তিনিখন পাৰঘাট বন্দৰস্ত কৰি দিলে সেই বন্দৰস্তি শীঘ্ৰেই বাতিল কৰি ৰাইজৰ মাজত মাইকযোগে প্ৰচাৰ চলাই পুনৰ নিবিদা আহ্বান কৰিবলৈ মৰিগাঁও জিলাৰ মুখ্য কার্যবাহী বিষয়াগৰাকীক ইতিমধ্যে লিখিত অভিযোগ দাখিল কৰিছে।

মৰিগাঁও-ভূৰবন্ধা সংযোগী পথ দূৰৱস্থাৰ প্ৰতিবাদত বৰঙাবাৰীত পথ অৱৰোধ ৰাইজৰ

(১ পৃষ্ঠাৰ পৰা)● ৰাইজক আতংকিত কৰি তোলাৰ সময়তে অলপতে মৰিগাঁও-ভূৰবন্ধা সংযোগী পথৰ দূৰৱস্থাৰ বাবে বৰঙাবাৰীৰ উজনি মুৰত শতাধিক পুৰুষ, মহিলা, যুৱক ৰাজপথলৈ ওলাই আহি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ্য যে মৰিগাঁও চহৰ সংযোগী ভূৰবন্ধা পথটোৰ দূৰৱস্থাই সাধাৰণ ৰাইজক জ্বলা-কলা খুৱাই অহাৰ লগতে পথৰ দূৰৱস্থাৰ বাবে নিতৌ সংঘটিত হয় পথ দুৰ্ঘটনা। জিলাখনৰ অকল এই পথটোৰেই নহয় নগাঁও-মৰিগাঁও, মৰিগাঁও-জাগীৰোড, মৰিগাঁও-ভূৰাগাঁও, মৰিগাঁও-লাহৰীঘাট, মৰিগাঁও-মৈৰাবাৰী, মৰিগাঁও-ধিং সংযোগী আদি প্ৰতিটো পথৰ দূৰৱস্থাই ৰাইজক আতংকিত কৰি তুলিছে। এনে প্ৰেক্ষাতত অলপতে বৰঙাবাৰীত মুকলিকৈ ৰাইজ ওলাই আহি প্ৰতিবাদ সাব্যস্ত কৰি বিভাগীয় তথা জিলা প্ৰশাসনৰ দৃষ্টি আকর্ষণ কৰে। বিশেষকৈ প্ৰতিবাদী ৰাইজে মৰিগাঁও বিধানসভা সমষ্টিত বিধায়ক গৰাকীৰ অদূৰদর্শিতাৰ বাবেই পথ যোগাযোগ ব্যৱস্থাত ৰাইজে যমৰ যাতনা ভুগিবলগীয়া হোৱা বুলি মুকলিকৈ ক্ষোভ প্ৰকাশ কৰে। বৰঙাবাৰীত ৰাইজে পথ অৱৰোধ কৰি প্ৰতিবাদ সাব্যস্ত কৰাত কিছু সময়ৰ বাবে পথটোত যান-জঁটৰ সৃষ্টি হোৱাৰ লগতে মৰিগাঁও আৰক্ষী প্ৰশাসন আৰু জিলা প্ৰশাসনৰ বিষয়া প্ৰতিবাদস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। স্থানীয় ৰাইজৰ দাবী পথটো সোনকালে মেৰামতি কৰি যাতায়াত ব্যৱস্থাৰ উপযোগী কৰি নুতুলিলে পোনৰ আন্দোলনৰ কার্যসূচী গ্ৰহণ কৰিব বুলি স্পষ্ট কৰি দিয়ে।

মানুহে মানুহৰ বাবে ঃ মানৱতাৰ সংকট আৰু কালজয়ী আহ্বান

(১ পৃষ্ঠাৰ পৰা)● আৰু সহমর্মিতাৰেই এক দীঘলীয়া ইতিহাস।

কিন্তু সময়ৰ নিৰন্তৰ সোঁততে সমাজজীৱনৰ সেই আত্মিক ভেটিটো ক্ৰমাৎ শিথিল হৈ পৰিছে। একবিংশ শতিকাই মানুহৰ হাতলৈ জ্ঞান-বিজ্ঞান আৰু প্ৰযুক্তিৰ অভূতপূৰ্ব শক্তি কঢ়িয়াই আনিছে। কৃত্ৰিম বুদ্ধিমত্তা, ডিজিটেল প্ৰযুক্তি, সামাজিক মাধ্যম আৰু আধুনিক যোগাযোগ ব্যৱস্থাই পৃথিৱীখনক পূৰ্বতকৈ অধিক সংযুক্ত কৰিছে। মানুহে মহাকাশৰ সীমা অতিক্ৰম কৰিছে, চিকিৎসাবিজ্ঞানত অভূতপূৰ্ব সাফল্য লাভ কৰিছে, মুহূর্তৰ ভিতৰতে পৃথিৱীৰ এটা প্ৰান্তৰ পৰা আনটো প্ৰান্তলৈ তথ্য প্ৰেৰণ কৰিব পৰা হৈছে। বস্তুগত সা-সুবিধাও পূৰ্বতকৈ বহু বেছি বৃদ্ধি পাইছে। তথাপি এই চকুতলগা প্ৰগতিৰ আঁৰত আধুনিক সভ্যতাৰ এক কৰুণ পৰিহাস লুকাই আছে। পৃথিৱীখন প্ৰযুক্তিগতভাৱে যিমানেই ওচৰ চাপি আহিছে, বহু ক্ষেত্ৰত মানুহৰ আন্তৰিক দূৰত্বও সিমানেই অনুভূত হৈছে। যোগাযোগৰ মাধ্যম অসংখ্য হৈছে, কিন্তু আন্তৰিক সংযোগ বহু সময়ত ক্ষীণ হৈ পৰিছে। তথ্যৰ বিস্ফোৰণ ঘটিছে, কিন্তু অনুভৱৰ গভীৰতা সেই অনুপাতে বৃদ্ধি পোৱা নাই। মানুহৰ সামাজিক পৰিসৰ বহল হৈছে, বিপৰীতে বহুক্ষেত্ৰত হৃদয়ৰ পৰিসৰ সংকুচিত হৈ পৰিছে।

সামাজিক মাধ্যমত হাজাৰ হাজাৰ সংযোগ থাকিও বহু মানুহে নিঃসংগতাৰ বোজা কঢ়িয়াই ফুৰা দেখা যায়। আনৰ জীৱনৰ প্ৰতিটো ক্ষণৰ খবৰ মুহূর্ততে লাভ কৰিও কাষত থকা মানুহজনৰ অন্তৰৰ বেদনা অনুভৱ কৰিবলৈ আমাৰ সময় নাথাকে।

কাৰোবাৰ দুর্দশাৰ ছবি দেখি আমি ক্ষণিকৰ বাবে বিচলিত হওঁ, কিন্তু সেই বেদনাৰ উপশমৰ বাবে আগবাঢ়ি যোৱাৰ মানসিকতা সদায় গঢ় লৈ নুঠে। সহানুভূতি কেতিয়াবা এটা 'লাইক', এটা 'কমেণ্ট' অথবা ক্ষণস্থায়ী আৱেগৰ মাজতে সীমাবদ্ধ হৈ পৰে। মানুহৰ দুখ আমাৰ বাবে কেতিয়াবা এটা দৃশ্য, এটা খবৰ অথবা এটা সংখ্যা হৈ পৰে। কিন্তু সেই দুখৰ আঁৰত থকা মানুহজনৰ অসহায়তা, যন্ত্ৰণা আৰু নীৰৱ কান্দোন আমাৰ হৃদয়ত গভীৰভাৱে প্ৰতিফলিত নহয়। এই আত্মিক বিচ্ছিন্নতা আৰু সংবেদনশীলতাৰ অৱক্ষয়েই আধুনিক সভ্যতাৰ অন্যতম গভীৰ সংকট হৈ পৰিছে। এনে এক আত্মিক আৰু সামাজিক সংকটৰ সন্ধিক্ষণতেই ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ কণ্ঠত প্ৰতিধ্বনিত হোৱা সেই কালজয়ী প্ৰশ্নটোৱে স্বাভাৱিকভাৱেই আমাৰ বিবেকত গভীৰ আলোড়ন তুলি আহিছে—

'মানুহে মানুহৰ বাবে
যদিহে অকণো নাভাবে,
অকণি সহানুভূতিৰে
ভাবিব কোনেনো কোৱা,
সমনীয়া ?'

এই প্ৰশ্নৰ মাজত কেৱল এটি গীতৰ সু�ৰৰ মাধুর্য বা কবিতাৰ আৱেগ নাই। আছে মানৱ সভ্যতাৰ নৈতিক অস্তিত্বৰ এক গভীৰ অনুসন্ধান। গীতটো ১৯৬০-৬১ চনৰ ভাষা আন্দোলনৰ সময়ত ৰচিত। ছয় দশকৰো অধিক সময় অতিক্ৰম কৰাৰ পিছতো গীতটোৰ প্ৰাসংগিকতা অম্লান হৈ আছে। বৰং বর্তমানৰ জটিল সামাজিক ক্ষেত্ৰত ইয়াৰ প্ৰশ্ন অধিক তীক্ষ্ণ আৰু অধিক জৰুৰী হৈ উঠিছে। সময় সলনি হৈছে, জীৱন-যাপনৰ পদ্ধতি সলনি হৈছে, প্ৰযুক্তি সলনি হৈছে। কিন্তু মানুহৰ মৌলিক প্ৰয়োজন-মমতা, মৰম, সহমর্মিতা, নিৰাপত্তা আৰু আন এজন মানুহৰ কাষত থিয় দিয়াৰ মানসিকতা- আজিও একেই আছে।

'মানুহে মানুহৰ বাবে-' এই সৰু বাক্যটোৱেই গীতটোৰ সমগ্ৰ দর্শনৰ কেন্দ্ৰবিন্দু। ইয়াত কোনো জটিল দার্শনিক তত্ত্ব নাই। অথচ ইয়াৰ সৰলতাতেই নিহিত হৈ আছে এক গভীৰ জীৱনদর্শন। মানুহ একক সত্তা নহয়। মানুহ মূলতঃ সামাজিক সত্তা। এজনৰ জীৱন আন এজনৰ জীৱনৰ সৈতে অদৃশ্য সূতাৰে বান্ধ খাই আছে। এজনৰ সুখে আনজনৰ মুখত হাঁহি আনিব পাৰে, এজনৰ দুখে আনজনৰ হৃদয়ত বেদনা জগাব পাৰে আৰু এজনৰ সহায়ত আনজনৰ জীৱনলৈ নতুন আশাৰ পোহৰ আহিব পাৰে। সেয়েহে মানুহৰ সার্থকতা কেৱল নিজে সুখী হোৱা বা নিজে সফল হোৱাতে সীমাবদ্ধ নহয়। আন এজন মানুহৰ জীৱন অলপ সহজ, অলপ নিৰাপদ আৰু অলপ আশাব্যঞ্জক কৰি তুলিব পৰাতেই মানৱীয় সফলতাৰ গভীৰ অর্থ নিহিত থাকে।

সুধাকণ্ঠ ড° ভূপেন হাজৰিকাই গীতটোৰ জৰিয়তে এই সত্য উচ্চাৰণতেই থমকি ৰোৱা নাই। তেওঁ এক কঠিন প্ৰশ্ন উত্থাপন কৰিছে-'যদিহে অকণো নাভাবে', অর্থাৎ মানুহে যদি আন মানুহৰ কথা সামান্যতমো নাভাবে, তেন্তে ভাবিব কোনে ? ● (৬পৃষ্ঠাত)

সপ্তাহটোৰ ৰাশিফল

কৌপাতি সুত্রধৰ

মেষৰাশি (অ,আ,ল) ঃ বহুদিনীয়া সমস্যাৰ সফল সমাধান হ'ব। আর্থিক দিশত হঠাৎ অর্থলাভৰ যুগ। কর্মত স্থান পৰিৱর্তনৰ যুগ হ'ব। যান-বাহন আদি ক্রয়ৰ যুগ। ব্যৱসায়ত নতুন সংযোজন আৰু উন্নতিৰ যুগ। নিবনুৱাৰ কর্ম প্রাপ্তি হ'ব। অনর্থক শত্রুতাৰ প্রভাৱ বৃদ্ধি আৰু মানসিক অশান্তি। প্রেম-প্রীতিত শুভ সপ্তাহ।

বৃষৰাশি (ই,উ,ব) ঃ কর্মত পদোন্নতিৰ যুগ। দূ�ৰভ্রমণত সতর্কতা অৱলম্বন কৰিব। আর্থিকত ক্ষতিৰ আশংকা। নিবনুৱা প্রার্থীৰ কর্ম লাভৰ যোগ। বিবাহৰ যোগাযোগ লাভ। দুচকীয়া বাহনৰ পৰা কিছু সতর্ক হ'ব। ঘৰুৱা কোনো সমস্যাই মনত অশান্তি দিব। বিদ্যাত শুভ। ৰাজনীতিক, চিকিৎসক,বুদ্ধিজীৱিৰ শুভ সপ্তাহ।

মিথুনৰাশি (ক,ছ) ঃ পূ�ৰণা পাব লগা ধন লাভৰ যুগ হ'ব। কর্মত উন্নতি আৰু সফলতা লাভ। ব্যৱসায়ত নতুন যোগাযোগ লাভ আৰু উন্নতিৰ যুগ। বিদ্যার্থীৰ সফলতা লাভ। পাৰিবাৰিক দিশত কিছু অশান্তিৰ যুগ হ'ব। মাতৃৰ স্বাস্থ্যৰ অশান্তিয়ে মনত কষ্ট দিব। প্রেম-প্রীতিত বিফলতা।

কর্কটৰাশি (ড,হ) ঃ সপ্তাহৰ আৰম্ভণিত ভ্রমণ যোগ হ'ব। গৃহনির্মাণৰ দিশত অগ্রসৰ হোৱাৰ যুগ। কর্মৰ দিশত শুভ ফল আৰু উন্নতি হ'ব। আর্থিকত লাভবান হ'ব। সন্তানৰ সফলতাই মনত আনন্দ দিব। ব্যৱসায় বাণিজ্যত উন্নতি আৰু লাভ। পেতৰ অশান্তিত কষ্ট পাব। শৰীৰত আঘাত পাব পাৰে। প্রেম-প্রীতিত বাধা।

সিংহৰাশি(ম,ট) ঃ সিংহৰাশিৰ জাত ব্যক্তিৰ সপ্তাহৰ আৰম্ভণিত পাব লগা ধন লাভ হ'ব। কর্মক্ষেত্রত উন্নতি আৰু সফলতা লাভ। পত্নীৰ স্বাস্থ্যৰ প্রতি নজৰ দিব। কোনো সহকর্মীৰ পৰা উপকৃত হ'ব। বিদ্যার্থীৰ উন্নতিৰ যুগ। হঠাৎ শৰীৰত আঘাত পাব পাৰে। কোনো দুঃসংবাদে সপ্তাহৰ শেষত মনোকষ্ট দিব।

কন্যাৰাশি(প,ব,ণ) ঃ নতুন পৰিকল্পনা বাস্তৱত ৰূপায়িত হ'ব। কোনো দুষ্ট চক্রৰ দ্বাৰা ক্ষতিৰ আশংকা। মাটি-বাৰী সংক্রান্ত সমস্যাৰ সমাধানৰ যুগ। আর্থিকত লাভৱান হ'ব। ব্যৱসায়-বাণিজ্যত মধ্যম। বিদ্যার্থীৰ সফলতাৰ যুগ। বিবাহত বাধা আৰু মনোকষ্ট। কর্মত উন্নতি আৰু সন্মান লাভৰ যুগ হ'ব। পাৰিবাৰিক উন্নতি আৰু সম্পত্তি লাভ হ'ব।

তুলাৰাশি(ৰ,ত) ঃ কোনো সংবাদে সপ্তাহৰ আৰম্ভণিত মনত কষ্ট দিব। পাৰিবাৰীক সমস্যাৰ সমাধান হ'ব। চাকৰিলাভৰ যুগ। বিবাহৰ দিশত বাধা আৰু জটিলতা। শাৰিৰীক দিশত উচ্চ ৰক্তচাপ বৃদ্ধি আৰু পেটৰ অশান্তিত ভুগিব। আর্থিক দিশত সপ্তাহটো লাভৱান হ'ব।

বৃশ্চিকৰাশি (ন,য) ঃ ঘৰলৈ সন্তানৰ আগমনে মনত আনন্দ দিব। দূৰ ভ্রমণৰ যুগ। সামাজিক দিশত সন্মান লাভ হ'ব। শৰীৰত বিষ বেমাৰ আৰু পেটৰ অশান্তিত ভুগিব। কর্মত ব্যস্ততা আৰু জটিলতা বৃদ্ধি পাব। বিবাহৰ বন্দোৱস্তি হ'ব। বিদ্যাত উন্নতি আৰু সফলতা লাভ। নিৰনুৱাৰ কর্ম লাভত বাধাৰ যুগ।

ধনুৰাশি(ধ,ভ,ফ) ঃ কোনো মূল্যৱান সম্পত্তি লাভৰ যুগ । আর্থিক দিশত লাভৱান হ'ব। ব্যৱসায় -বাণিজ্যত মধ্যম। কোনো পূৰণা বন্ধুৰ দ্বাৰা উপকৃত হ'ব। ৰাজনীতিক, সাংবাদিক, বুদ্ধিজীৱিৰ সন্মান লাভ। চিকিৎসক, শিক্ষক, বীমা কর্মীৰ মধ্যম। বিদ্যার্থীৰ শুভ সময় হ'ব। বিবাহৰ যুগ আৰু শৰীৰত হঠাৎ আঘাত প্রাপ্তিৰ আশংকা।

মকৰৰাশি(খ,জ)ঃ কোনো এজন গুৰুস্থানীয় লোকৰ স্বাস্থ্য অশান্তিৰ যুগ। মানসিক অৱসাদ আৰু কর্মব্যস্ততা বৃদ্ধি পাব। ব্যৱসায়ত প্রাপ্য ধন লাভত বাধাৰ যোগ। অবিবাহিতৰ বিবাহৰ যোগাযোগ লাভ হ'ব। বিদ্যার্থীৰ চঞ্চলতা বৃদ্ধি পাব। প্রেম-প্রীতিত সফলতা। শিক্ষক, সাংবাদিক বীমা আৰু বেংক কর্মীৰ অনুকূল সময়।

কুম্ভৰাশি(স,শ)ঃ ভূমি সংক্রান্ত সমস্যাৰ সমাধান আৰু গৃহনির্মাণৰ যুগ হ'ব। অবিবাহিতৰ বিবাহৰ যুগ। কর্মক্ষেত্রত গুপ্ত শত্রুৰ প্রভাৱ বৃদ্ধিৰ যুগ। পত্নীৰ স্বাস্থ্যৰ অশান্তিয়ে মনত কষ্ট দিব। আর্থিকত খৰছ বৃদ্ধিৰ যুগ। ব্যৱসায়ত উন্নতিৰ আৰু লাভৰ যুগ। সন্তানৰ সফলতাই মনত আনন্দ দিব। সপ্তাহৰ শেষত হঠাৎ অর্থলাভৰ যুগ দেখা যায়।

মীনৰাশি (দ,চ) ঃ মীনৰাশিৰ জাত ব্যক্তিৰ সপ্তাহটোত নতুন কর্মত অগ্রসৰ নোহোৱাই শুভ হ'ব। কর্মত জটিলতা বৃদ্ধি আৰু শত্রুতাৰ প্রভাৱ। কর্মত উন্নতি আৰু সন্মান লাভ। চুবুৰীয়াৰ লগত মতানৈক্য। কোনো পূৰণা সমস্যাৰ সু-সমাধান হ'ব। ব্যৱসায় বাণিজ্যত নতুন সংযোজন আৰু উন্নতি। আর্থিকত প্রাপ্য ধন হাতলৈ আহিব। প্রেম-প্রীতিত সফলতা আৰু আনন্দ।

মানুহে মানুহৰ বাবে ঃ মানৱতাৰ সংকট আৰু কালজয়ী আহ্বান

(৫পৃষ্ঠাৰ পৰা)● এই প্রশ্নৰ মূল শক্তি ইয়াতেই আছে। ইয়াৰ উত্তৰদায়িত্ব কোনো অদৃশ্য শক্তিৰ ওপৰত ঠেলি দিয়াৰ অৱকাশ নাই । ইয়াৰ দায়িত্ব মানুহৰেই। সমাজৰ দুর্বলজনৰ দুখ দেখি যদি শক্তিশালীজনে মুখ ঘুৰাই লয়, ক্ষুধার্তজনৰ কাষেৰে সামর্থ্যবানজন যদি নির্বিকাৰভাৱে পাৰ হৈ যায়, অসুস্থজনৰ আর্তনাদ শুনিও যদি আমি নীৰৱে থাকোঁ, তেন্তে আমাৰ শিক্ষা, সভ্যতা আৰু প্রগতিৰ মূল্য কিমান ? এই প্রশ্নই গীতটোৰ অন্তর্নিহিত নৈতিক শক্তিক উন্মোচন কৰিছে ।

গীতটোৰ 'অকণি সহানুভূতি' এই শব্দ দুটাৰ মাজতো গভীৰ তাৎপর্য নিহিত আছে। সহানুভূতি মানে কেৱল আনৰ দুখ দেখি 'দুখ লাগিল' বুলি কোৱা নহয় । ই হৈছে আনৰ বেদনাক নিজৰ অনুভৱৰ অংশ কৰি লোৱা, আনৰ চকুৰ পানীত নিজৰ হৃদয়ৰ প্রতিচ্ছবি দেখা। সহানুভূতিৰ পৰাই জন্ম লয় সহমর্মিতা, আৰু সহমর্মিতাই মানুহক কর্মৰ দিশে আগু�ৱাই নিয়ে । সেয়েহে মানৱতা কেৱল এক অনুভূতি নহয়- ই এক দায়িত্ব, এক কর্তব্য, এক সক্রিয় নৈতিকতা । কোনোবা দুর্যোগত ক্ষতিগ্রস্ত মানুহক সহায় কৰা, কোনো অসহায় শিশুৰ শিক্ষাৰ দায়িত্ব লোৱা, ৰক্তদান কৰা, বৃদ্ধজনৰ কাষত বহি তেওঁৰ কথা শুনা, বিপদত পৰা মানুহক পথ দেখুওৱা অথবা অন্যায়ৰ বিৰুদ্ধে নিঃসংকোচে মাত মাতিবলৈ চেষ্টা কৰা। এই সৰু সৰু কার্যবোৰতেই মানৱতাৰ প্রকৃত প্রকাশ ঘটে ।

গীতটোৰ অন্তর্নিহিত মানৱতাবাদী দর্শনৰ আন এটা গুৰুত্বপূর্ণ দিশ হৈছে মানুহক পণ্যত পৰিণত কৰাৰ বিৰুদ্ধে ইয়াৰ প্রতিবাদ । 'মানুহে মানুহক বেচিব খুজি, মানুহে মানুহক কিনিব খুজি'- এই ভাবনাই কেৱল বজাৰৰ অর্থত বেচা-কিনাক বুজোৱা নাই । ই মানুহৰ মূল্যক ধন, ক্ষমতা, প্রতিপত্তি, স্বার্থ আৰু লাভ-লোকচানৰ মাপকাঠিৰে জোখা এক মানসিকতাৰ প্রতীক হিচাপে প্রতিষ্ঠিত । যেতিয়া মানুহৰ মূল্য তেওঁৰ মানৱীয়তা, সততা আৰু চৰিত্রৰ পৰিৱর্তে সম্পদ, পদবী বা সামাজিক প্রভাৱেৰে নির্ধাৰিত হয়, তেতিয়া সমাজৰ নৈতিক কাঠামো ভিতৰৰ পৰা ক্ষয় হ'বলৈ আৰম্ভ কৰে । ভোগবাদী মানসিকতাই মানুহক কেতিয়াবা গ্রাহক, কর্মী, ভোটাৰ বা পৰিসংখ্যালৈ সংকুচিত কৰি তোলে । তাৰ বিপৰীতে ভূপেন হাজৰিকাৰ গীতটোৱে যেন সোঁৱৰাই দিয়ে- মানুহ কোনো পণ্য নহয় । মানুহৰ মূল্য মানুহ হিচাপেই নির্ধাৰিত ।

গীতটোৰ আন এক হৃদয়স্পর্শী ভাব নিহিত হৈ আছে দুর্বল মানুহৰ প্রতি শক্তিশালী মানুহৰ দায়িত্ববোধত । 'দুর্বল মানুহে যদি জীৱনৰ কোবাল নদী পাৰ হয় তোমাৰে সাহত তুমি হেৰুৱাবানো কি ?'- এই ভাবনাত জীৱন যেন এক প্রবল সোঁতৰ নদী, যাৰ বুকুত বহু মানুহ দিশহাৰা হয়, বহুজনে সাঁতুৰিব নোৱাৰি ডুবিবলৈ ধৰে । তেনে সময়ত যদি কোনো শক্তিশালী মানুহে নিজৰ হাতখন আগবঢ়াই দিয়ে, দুর্বলজনক পাৰলৈ আহিবলৈ সাহস দিয়ে, তেন্তে সহায়কাৰীজনে আচলতে কি হেৰুৱায় ? হয়তো অলপ সময়, অলপ স্বাচ্ছন্দ্য অথবা অলপ সম্পদ । কিন্তু বিনিময়ত তেওঁ আন এজন মানুহক বাচি থকাৰ সাহস, আগবাঢ়ি যোৱাৰ শক্তি আৰু জীৱনৰ প্রতি নতুন বিশ্বাস লাভ কৰাত সহায় কৰে । মানৱীয়তাৰ মাপকাঠিত এই ত্যাগ কোনো ক্ষতি নহয় । বৰং ই মানুহ হিচাপে নিজৰ অস্তিত্বক অধিক অর্থবহ কৰিহে তোলে ।

আনহাতে গীতটোত থকা শিল্পসৌন্দর্যৰ কথাও উল্লেখযোগ্য । ড° ভূপেন হাজৰিকাৰ কৃতিত্ব হৈছে- তেওঁ জটিল দার্শনিক সত্যক অতি সৰল, কথিত আৰু হৃদয়গ্রাহী ভাষাত প্রকাশ কৰিছে । 'সমনীয়া' সম্বোধনটোৱে গীতটোক কেৱল বক্তাৰ বক্তব্য কৰি নাৰাখি শ্রোতাৰ সৈতে এক আন্তৰিক সংলাপলৈ ৰূপান্তৰ কৰিছে । প্রশ্নবোধক বাক্যৰ পুনৰাবৃত্তিয়ে শ্রোতাৰ বিবেকক জোকাৰি দিয়ে । আনহাতে 'কোবাল নদী'ৰ ৰূপকে জীৱন-সংগ্রামৰ অনিশ্চয়তা আৰু বিপদৰ গভীৰতা প্রকাশ কৰিছে । শেষৰ 'মানুহ' আৰু 'দানৰ'ৰ বৈপৰীত্যই গীতটোৰ নৈতিক বক্তব্যক চৰম পর্যায়লৈ লৈ গৈছে । সৰল শব্দ, গভীৰ অর্থ আৰু সংগীতৰ আবেগ- এই তিনিটাৰ অপূর্ব সমন্বয়ে গীতটোক কালজয়ী কৰি তুলিছে ।

এই দৃষ্টিকোণৰ পৰা চালে গীতটোৰ সুৰত বর্তমান সময়ৰ বাবে এক বিশেষ সামাজিক আহ্বান নিহিত হৈ আছে । পৃথিৱীৰ বহু ঠাইত অর্থনৈতিক বৈষম্য, শিক্ষা আৰু স্বাস্থ্যৰ অসম সুযোগ, খাদ্য-নিৰাপত্তাৰ সমস্যা, যুদ্ধ, সংঘাত, স্থানচ্যুতি আৰু প্রাকৃতিক দুর্যোগে অসংখ্য মানুহৰ জীৱন অনিশ্চিত কৰি তুলিছে । এনে সময়ত 'মানুহে মানুহৰ বাবে' কেৱল এটি গীতৰ পংক্তি হৈ থকা নাই । ই সামাজিক দায়িত্ব আৰু মানৱীয় কর্মৰ এক নৈতিক মূলমন্ত্র হৈ উঠিছে । গীতটোৰ শেষৰ দার্শনিক উপলব্ধি আৰু অধিক গভীৰ-

'মানুহ যদিহে নহয় মানুহ
দানৰ কাহানিও নহয় মানুহ ।'

এই পংক্তিয়ে মানুহ হোৱাৰ সংজ্ঞাটোকেই যেন নতুনকৈ নির্ধাৰণ কৰিছে । মানুহৰ আকৃতি লৈ জন্ম লোৱাটোৱেই মানুহ হোৱাৰ চূড়ান্ত অর্থ নহয় । মানুহ হ'বলৈ লাগে বিবেক, মমতা, ন্যায়বোধ, সহমর্মিতা আৰু দায়িত্বশীলতা । যিজন মানুহে আনৰ বেদনাত কোনো অনুভৱ নকৰে, যিজনে অন্যায় দেখিও নীৰৱে থাকে, যিজনে দুর্বলজনক শোষণ কৰি নিজৰ শক্তি প্রদর্শন কৰে- তেওঁ বাহ্যিকভাৱে মানুহ হ'লেও মানৱীয়তাৰ মূল সত্তাৰ পৰা বহু দূৰত । অর্থাৎ মানুহ কেৱল জন্মগত পৰিচয় নহয় । ই এক অর্জন কৰিবলগীয়া নৈতিক অৱস্থা ।

ইয়াতেই 'মানুহে মানুহৰ বাবে' গীতটোৰ বিশ্বজনীনতা নিহিত হৈ আছে । ইয়াৰ ভাষা অসমীয়া, ইয়াৰ সুৰ অসমৰ মাটিৰ পৰা উচ্চাৰিত । কিন্তু ইয়াৰ অনুভৱ কোনো এটা ভূখণ্ডৰ মাজত আবদ্ধ নহয় । এই গীতটো কোনো বিশেষ জাতি, ধর্ম, ভাষা বা মতাদর্শৰ জয়গান নহয় । ইয়াত মানুহক মানুহ হিচাপে চোৰাৰ আহ্বান আছে । সেয়েহে অসমৰ মাটিৰ পৰা উচ্চাৰিত এই বাণী সহজেই বিশ্বমানৱৰ বাণী হৈ উঠিব পাৰিছে । ড° ভূপেন হাজৰিকাৰ সৃষ্টিৰ অন্যতম বৈশিষ্ট্য আছিল স্থানীয় জীৱন, মাটি আৰু মানুহৰ অভিজ্ঞতাৰ সৈতে সার্বজনীন মানৱীয় চেতনাৰ সংযোগ স্থাপন কৰা । 'মানুহে মানুহৰ বাবে' সেই সৃষ্টিশীল মানৱতাবাদৰ এক উজ্জ্বল উদাহৰণ ।

এই গীতৰ বিশ্বজনীন আবেদন ইয়াৰ বিভিন্ন ভাষালৈ হোৱা অনুবাদ আৰু পৰিৱেশনতো প্রতিফলিত হৈছে । বাংলা ভাষাত 'মানুষ মানুষেৰ জন্য' নামেৰে গীতটোৱে বাংলাদেশ আৰু পশ্চিমবংগত বিশেষ জনপ্রিয়তা লাভ কৰিছে । ইয়াৰ উপৰি হিন্দী, নাগামিজ, ইংৰাজী আদি ভাষাতো গীতটোৰ অনুবাদ আৰু পৰিৱেশন ●(৮পৃষ্ঠাত)

কবিতা পৃষ্ঠা

ধ্ৰুৱতৰা

● ৰফিক উদ্দিন, ৯৮৬৪৭৯২৩৫৫

সন্ধিয়াৰ আকাশত ধ্ৰুৱতৰা নাই
দিশহাৰা পথত খোজবোৰ থমকি ৰয়
আন্ধাৰৰ এই স্তব্ধ দোকমোকালিত
সুপ্ত হৈ থকা তৰুণজাকক জগাব কোনে ?
নীৰৱতাৰ কোলাত শুই পৰা সেই শূন্য
'সূর্য উঠা দেশত' নতুন প্ৰভাতৰ ৰঙেৰে
আকৌ পূৰ্ণ কৰিব কোনে ?
হে ডেকা দল সাৰ পাই উঠা
বুকুৰ সাহসেৰে অন্ধকাৰ ফালি
আগুৱাই ব'লা, আগুৱাই ব'লা...
নিজেই একো একোটা ধ্ৰুৱতৰা হোৱা।

মইটো কবি নহয়

● মেৰী বৰদলৈ, নগাঁও, ফুলগুৰি

কবিতা লিখিবলৈ
নক'বা বন্ধু
মইটো কবি নহয়,
মই মাথোঁ
আবেলিৰ বেলিটিক
দুচকুৰ পটাত আঁৰি
ঘৰমুৱা পক্ষীজাকৰ সৈতে
মনৰ কথা ভাগবতৰা কৰা
এক ভাগৰুৱা অচিন পথৰ পথিক।
কবিতা লিখিবলৈ
নক'বা বন্ধু
মইটো কবি নহয়,
মই মাথোঁ
সন্ধিয়াৰ চোতালত বহি
জোনাকৰ জোনাকী জনীক
দুগালেৰে খামুচি
হাতীপটি জিলিকা আকাশৰ সৈতে
মনৰ কথা ভাগবতৰা কৰা
এক ভাগৰুৱা অচিন পথৰ পথিক।
কবিতা লিখিবলৈ
নক'বা বন্ধু
মইটো কবি নহয়,
মই মাথোঁ
সাগৰৰ পাৰত বৈ
সাগৰৰ নীলা নীলা দুচকুৰ সৈতে
ভাগবতৰা কৰা
এক ভাগৰুৱা অচিন পথৰ পথিক !

নীৰৱতাৰ সিপাৰে...

● নাচিমা য়াচমিন, বিশ্বনাথ চাৰিআলি, ৭০৯৯৩৮৯৭৫৫

এই পৃথিৱীখনো কিমান যে ৰহস্যময়,
তাতকৈও বেছি ৰহস্যৰে ভৰা মানুহৰ মন,
কিছুৰে স্বাৰ্থপৰতাৰ বলি, কিছু অহংকাৰী
কিছু অনুভৱহীন , শিলৰ দৰে কঠিন।
'ভালপোৱা'-শব্দটি গধুৰ, কেতিয়াবা
ওঁঠত আহি থমকি ৰয়,
ক'ব খোজা কথাবোৰ
নীৰৱতাৰ আঁৰত হেৰাই যায়।
তথাপিও কোনোবাই ভালপায়-
নীৰৱে, অগোচৰে,
নিজৰ অনুভূতিক গভীৰতাত লুকুৱাই।
সেই ভালপোৱাই কেতিয়াবা
শব্দৰ সীমা অতিক্ৰম কৰি
মাথোঁ অনুভৱ হৈ ৰয়।
কোনোবাই বুজি নাপায়,
কোনোবাই জানিও নজনাৰ ভাও ধৰে
তেনেকৈয়ে দুটি হৃদয়ৰ মাজত
এক অদৃশ্য দূৰত্ব গঢ় লৈ উঠে
আৰু জীৱনটোক অধিক
ৰহস্যময় কৰি তোলে।

শৰৎ দেখোন আহিবৰে হ'ল

● মহৎ চন্দ্ৰ ৰায়, দুধনৈ, গোৱালপাৰা

কঁহুৱাবোৰ হালি-জালি
নচাৰ সময় প্ৰায় সমাগত,
নৈৰ বালিচৰ
বিলৰ পাৰ
বননিৰ প্ৰান্তে প্ৰান্তে
পথাৰৰ মাজে মাজে
শাৰদী ৰাণী হেনো
শৰতৰেই নাম
শৰতৰ আগমনলৈ ৰৈ আছেহি আকাশ
বুকুত শুকুলা মেঘৰ টুকুৰা লালন
কৰিবলে
ৰৈ আছেহি দুবৰি
জিলমিল নিয়ৰৰ টোপালত
নিজৰ মুখ চাবলে
আছেহি ৰৈ
জান-জুৰি নৈ-বিল পথাৰ
পানীবোৰক দাপোণৰ দৰে স্বচ্ছ কৰিবলে
শৰৎ মানেই যেন
বতাহত শেৱালিৰ সুবাস
এৰা, শৰৎ দেখোন আহিবৰে হ'ল

কৃতঘ্ন

● দীপিকা ফুকন, চুঙাজান, গোলাঘাট

প্ৰয়োজনত তুমি সাতবাৰ চালাম কৰা
দুৱাৰত আঁঠুলৈ ভিক্ষাৰী হোৱা
মুখত তোমাৰ মধুৰ বাণী
ভৰি চুই কৈ দিয়া—
'তুমি নহ'লে মোৰ দিনতে আন্ধাৰ'
তোমাক মই নদী দিলোঁ
তুমি মোক বালি দিলা।
মই তোমাক ছাঁ দিলোঁ
তুমি মোক কুঠাৰ মাৰিব খুজিলা।
মই বিশ্বাস কৰিলোঁ,
মই তোমাক বুকুৰ তেজ দিলোঁ,
তোমাৰ স্বাৰ্থৰ বাবে
নিজৰ স্বাৰ্থক জলাঞ্জলি দিলোঁ।
আৰু আজি ?
স্বাৰ্থ পূৰণ হ'ল,
মুখা খহি পৰিল।
তুমি নিজকে ভাবা উঠিৰজা-বহিৰজা,
মই তোমাৰ বাটৰ কাঁইট !
যি হাতেৰে তোমাক তুলি ধৰিছিলোঁ,
সেই হাততে তুমি কামুৰিলা,
পানধোৱাত খুৱাইছিলোঁ তোমাক,
সেই থালতে তুমি থুৱাই দিলা !
শুনা হে নিৰ্লজ্জ,
তুমি ভাবিছা তুমি জিকিলা-
নাই, তুমি হাৰিলা।
তুমি এজন মানুহ হেৰুৱালা,
মই এটা বোজাৰ পৰা মুক্ত হ'লোঁ।
তোমাৰ দৰে কৃতঘ্নক
কোনেও কেতিয়াও ক্ষমা নকৰে,
মানুহে মনত নাৰাখে,
কুকুৰেও ঘৃণি নাচায় !

প্ৰকৃতিৰ অভিশাপ !!

● বিনীতা শইকীয়া, গোলাঘাট, বনগাঁও

ৰুষ্ট প্ৰকৃতিৰ বলিয়া বানৰ বিভীষিকাত
আতংকিত বানাক্ৰান্ত লোক।
কোনোদিনে নেদেখা ঠাইত বানে ললে
ৰুদ্ৰমূৰ্তি।
অনাহাৰে অনিদ্ৰাৰে বানাক্ৰান্তই কটাইছে
জীৱন ।
কালৰো কাল বিপৰীত কাল প্ৰকৃতিয়ে
পাতিছে মৰণফাণ্ড।
ভয়াবহ বান পৰিস্থিতি, কিমানে লৈছে
মৃত্যুক সাৱটি
হৈছে সা-সম্পত্তি আলৈ আথানি।
বাৰিষাৰ নেৰানেপেৰা বৰষুণ, আকাশত
ডাৰৰ বিস্ফোৰণ নদ-নদী উঠিছে ওফন্দি,
যেন প্ৰচণ্ড ক্ষোভত জ্বলিছে নৈৰ বুকু।
উটি গৈছে শ শ মানুহ , পোহনীয়া জীৱ-
জন্তু
চৰাই- চিৰিকটি।
সাৱটি লৈছে চিনাকি অচিনাকি চহৰ নগৰ
গাঁওবোৰ।
কোনে চাই কাৰ মুখলৈ এফালৰ পৰা
উটুৱাই নিছে
ঘৰ-বাৰী সকলো।
আৰ্তজনৰ মুখত নাই পানী
পেটত নাই ভোক
চকুত নাই টোপনি
জীৱন জীয়াৰ সংগ্ৰাম
ওখ ঠাই বিচাৰি কৰিছে হাহাকাৰ।
পলকতে ঘৰ সংসাৰ গৈছে উটি
একেটা পৰিয়ালৰে মাতৃ, ভগ্নী, ভাতৃ
পানীৰ প্ৰৱাল
সোঁতত উটি গৈ মৃত্যুক লৈছে সাৱটি।
হৃদয় বিদাৰক কৰুণ দৃশ্য হৈ ৰ'ল সাক্ষী।
নদীবোৰে মৃত্যুৰ কিৰিলি পাৰিছে
তাৰ বাবে নহয় জানোঁ
আমি মানুহবোৰেই দোষ !
এবাৰো নভাৰো কিয়,
প্ৰকৃতিয়েই দিছে আমাক জীৱন দান
প্ৰকৃতিয়েই ল'ব পাৰে আমাৰেই প্ৰাণ।
গছ কাটি, পাহাৰ খহাই কৰিছে তহিলং
কেনেকৈ পাব কোৱা
হিংসাৰ দাবানলৰ পৰা প্ৰকৃতিয়ে
পৰিত্ৰাণ।
সেয়ে চাগে প্ৰকৃতি হৈছে ৰুষ্ট
দিছে আমাক অভিশাপ।

জোনাকী পৰুৱা

● মুন শৰ্মা, লখিমপুৰ, ৬০০০১৭০১৬৩

আন্ধাৰৰ বুকুত তুমি
সৰু সৰু এমুঠি পোহৰৰ চাকি,
নিজে জ্বলি নিজে জ্বলি
নিজানত নীৰৱে
ৰাতিক শিকোৱা হাঁহি।
নেদেখা পথত তুমি
মুঠি মুঠি পোহৰ সিঁচা,
হাজাৰ মৰম হৈ তুমি
নীৰৱে আহি
মোৰ কলিজাত আলফুলে
প্ৰণয়ৰ এজাক মিঠা মলয়া হোৱা।

আপুনি মোক ধুনীয়া নেদেখিলেও কোনো কথা নাই

● দুৰ্লভ সোণোৱাল, ডিব্ৰুগড়

আপুনি মোক ধুনীয়া নেদেখিলেও
কোনো কথা নাই-
মইতো কোনো আয়নাৰ চৰ্তত জীয়াই
থাকিবলৈ জন্মা নাই !
মোৰ মুখত যদি বসন্তৰ স্নিগ্ধ জোনাক
নাথাকে,
নাথাকক,
মোৰ বুকুত আছে বহু ধুমুহা পাৰ হোৱা
অন্ধকাৰ নিশাৰ জীয়াই থকাৰ ইতিহাস।
মোৰ চকুৰ তলৰ এই ক'লা দাগবোৰ-
সৌন্দৰ্যৰ অভাৰ নহয়,
সেয়া সময়ে নিজ হাতেৰে লিখি যোৱা
একো একোখন অপঠিত জীৱন-
কাহিনী।
মোৰ হাতৰ এই ৰুক্ষতাত সংগোপনে
লুকাই আছে
অক্লান্ত পৰিশ্ৰমৰ দীপ্তি,
আৰু মোৰ এই গহীন নীৰৱতাত
অনবৰতে বাজি থাকে নোকোৱা বহু
সত্যৰ গভীৰ সুৰ।
মোক কেতিয়াও বাহ্যিক ৰূপেৰে
জুখিবলৈ নাহিব-
ফুলৰ ৰং সময়ত ম্লান হয়,
জোনাকো ঘন মেঘত এদিন হেৰায়,
যৌৱন উটি যায় সময়ৰ যাযাবৰ
সোঁতত...
কিন্তু মানুহে মানুহৰ বাবে যি মমতা এৰি
যায়,
সেয়াহে মৃত্যুৰ সীমানা পাৰ হৈও
চিৰকাল অমৰ হৈ জীয়াই থাকে।
হয়, মই ৰূপহী নহ'ব পাৰোঁ,
কিন্তু ভাঙি পৰিও পুনৰ থিয় হ'বলৈ
জানোঁ;
ধূলিস্যাৎ হৈও ওঁঠত এমুকনি হাঁহি আঁকি
ল'বলৈ জানোঁ,
আৰু তমোময় অন্ধকাৰৰ বুকুত
নিজৰ বাবে একাঁজলি পোহৰৰ চাকি
জ্বলাব জানোঁ।
সেয়ে-
আপুনি মোক ধুনীয়া নেদেখিলেও
কোনো খেদ নাই,
মাথোঁ মোৰ অৱস্থিতিক হেয় নকৰিব।
কাৰণ প্ৰতিটো নিসংগ মুখৰ আঁৰত
চলিয়েই থাকে একোখন দৃশ্যহীন
সংগ্ৰামৰ যুদ্ধ,
আৰু প্ৰতিজন নীৰৱ মানুহৰ গহন
বুকুখনত
জীয়াই থাকে একোখন অনুক্ত মহাকাব্য।
এদিন...
যেতিয়া বাহ্যিক সৌন্দৰ্যৰ সকলো
ভৌতিক সংজ্ঞা
সময়ৰ ধূলিত নিঃশেষ হৈ মিহলি হ'ব,
তেতিয়া যদি মোৰ নামটো
এজন সৎ আৰু সহৃদয় মানুহৰ স্মৃতি হৈ
জী থাকে-
তেনেহ'লে সেইদিনা বুজিম,
মই ৰূপৱতী নাছিলোঁ যদিও
মোৰ জীৱনটো অন্ততঃ অৰ্থহীন নাছিল !

মানুহে মানুহৰ বাবে ঃ মানৱতাৰ সংকট আৰু কালজয়ী আহ্বান

(৬পৃষ্ঠাৰ পৰা)● হৈছে। ভাষা সলনি হ'লেও মূল আবেদন একেই- মানুহৰ দুখত মানুহে সঁহাৰি জনাব লাগে, মানুহৰ বিপদত মানুহে কাষত থিয় দিব লাগে । এই ভাষান্তৰসমূহেই প্ৰমাণ কৰে যে-যথাৰ্থতে মানৱীয় অনুভৱৰ কোনো ভাষিক বা ভৌগোলিক সীমাৰেখা নাই ।

গীতটোৰ সু�ৰৰ সৈতে বিখ্যাত আমেৰিকান লোকগীত 'Hang Down Your Head, Tom Dooley'-ৰ সু�ৰৰ সৈতে উল্লেখ্য সাদৃশ্য আছে । এই সুৰগত অনুপ্ৰেৰণাই গীতটোৰ মানৱতাবাদী বক্তব্যৰ সাৰ্বজনীনতাক যেন এক ভিন্ন সাংস্কৃতিক পৰিসৰৰ সৈতে সংযুক্ত কৰিছে। অৰ্থাৎ সৃষ্টিৰ উৎস স্থানীয় হ'লেও ইয়াৰ শিল্পভাষা আৰু মানৱীয় আবেদন বিশ্বসংস্কৃতিৰ বৃহত্তৰ পৰিসৰৰ সৈতে সংযোগ স্থাপন কৰিবলৈ সক্ষম হৈছে ।

গীতটোৰ বিশ্বজনীন মূল্য আৰু জনমানসত ইয়াৰ গভীৰ প্ৰভাৱৰ প্ৰতি লক্ষ্য ৰাখি অসম চৰকাৰে এই কালজয়ী গীতটোক ৰাষ্ট্ৰসংঘৰ দ্বাৰা 'বিশ্ব মানৱতাৰ গীত' হিচাপে আনুষ্ঠানিক স্বীকৃতি দিয়াবলৈ প্ৰক্ৰিয়া চলাইছে । মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে যে- এই গীতটো কেৱল অসমৰে নহয়, সমগ্ৰ মানৱ জাতিৰ সম্পদ । আনহাতে বিবিচিৰ তৰফৰ পৰা চলোৱা এক বিশ্বজোৰা সমীক্ষাত সহস্ৰাব্দৰ আটাইতকৈ জনপ্ৰিয় ১০টা গীতৰ তালিকাত ড°ভূপেন হাজৰিকাৰ এই গীতটোৱে সপ্তম স্থান লাভ কৰিছিল, যিয়ে ইয়াক গোলকীয় মানচিত্ৰত বিশেষ মৰ্যাদা প্ৰদান কৰিছে । এই পদক্ষেপে কেৱল ভূপেন হাজৰিকাৰ সৃষ্টিশীল প্ৰতিভাৰ প্ৰতি সন্মান প্ৰকাশ কৰাতে আৱদ্ধ হৈ থকা নাই । তেওঁৰ সংগীতৰ মাজেৰে প্ৰতিধ্বনিত হোৱা সাৰ্বজনীন মানৱতাবাদী বাণীকো বিশ্বমঞ্চত অধিক গুৰুত্বসহকাৰে উপস্থাপন কৰাৰ সম্ভাৱনা সৃষ্টি কৰিছে।

সেয়েহে আজিৰ প্ৰজন্মই ভূপেন হাজৰিকাৰ এই গীতটোক কেৱল শ্ৰৱণৰ বিষয় হিচাপে নহয়, জীৱনদৰ্শন হিচাপে গ্ৰহণ কৰা উচিত । শিশুক প্ৰতিযোগিতাৰ শিক্ষা দিয়াৰ লগতে সহমৰ্মিতাৰ শিক্ষাও দিব লাগিব । শিক্ষাৰ লক্ষ্য কেৱল উপাৰ্জনক্ষম মানুহ সৃষ্টি কৰা নহয় । দায়িত্বশীল, বিবেকৱান আৰু সংবেদনশীল নাগৰিক গঢ়ি তোলাও শিক্ষাৰ অন্যতম উদ্দেশ্য। সামাজিক মাধ্যমক বিভাজন, ঘৃণা আৰু মিছা তথ্যৰ বাহন হিচাপে ব্যৱহাৰ কৰাৰ পৰিৱৰ্তে মানুহৰ মাজত সংযোগ, সহমৰ্মিতা আৰু সহযোগিতা গঢ়ি তোলাৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰা উচিত । পৰিয়াল, বিদ্যালয়, সমাজ, গণমাধ্যম আৰু ৰাষ্ট্ৰ- সকলো স্তৰতে মানৱীয় মূল্যবোধক পুনৰ কেন্দ্ৰস্থানলৈ আনিবলৈ চেষ্টা কৰাতো অত্যন্ত প্ৰয়োজন।

আচলতে মানৱতা ৰক্ষা কৰিবলৈ সদায় বহল পৰিসৰত চিন্তাৰ প্ৰয়োজন আছে । কেতিয়াবা এজন অসহায় মানুহৰ কথা মন দি শুনাটোৱেই যথেষ্ট । কেতিয়াবা এটা সৎ বাক্যই হতাশাত ভোগা এজন লোকৰ হৃদয়ত আশাৰ পোহৰ জ্বলাব পাৰে । আকৌ কেতিয়াবা আগবঢ়াই দিয়া এখন হাতেই এজন মানুহক বিপদৰ পৰা উদ্ধাৰ হোৱাত সহায় কৰিব পাৰে । মানৱতা দীৰ্ঘ বক্তৃতা বা বৃহৎ ঘোষণাৰ মাজতকৈ আমাৰ দৈনন্দিন আচৰণ, সৰু সৰু সিদ্ধান্ত আৰু আন্তৰিক অনুভূতিৰ মাজতেই অধিক জীৱন্ত হৈ থাকে।

ড° ভূপেন হাজৰিকাৰ 'মানুহে মানুহৰ বাবে' সেয়ে কেৱল এটি গীত হৈ থকা নাই । ই মানৱতাৰ এক নৈতিক প্ৰতিচ্ছবি। সেই প্ৰতিচ্ছবিত আমি কেৱল সমাজৰ বাহ্যিক ৰূপটোৱেই দেখা নাপাওঁ । নিজৰ অন্তৰত সোমাই থকা প্ৰকৃত মানুহজনকো দেখা পাওঁ। বিজ্ঞান, প্ৰযুক্তি আৰু সম্পদে সভ্যতাৰ বাহ্যিক উন্নতিৰ পৰিচয় দিয়ে । আচলতে আনৰ দুখত কাতৰ হোৱা, অসহায়জনৰ বাবে সময় উলিওৱা, অন্যায়ৰ বিৰুদ্ধে সাহসেৰে থিয় হোৱা আৰু বিপদত পৰা মানুহৰ হাত আন্তৰিকতাৰে খামোচি ধৰাটোৱেই সভ্যতাৰ প্ৰকৃত মানৱীয় পৰিচয়।

মানৱ সভ্যতাৰ ভৱিষ্যৎ কেৱল কৃত্ৰিম বুদ্ধিমত্তা, মহাকাশ অভিযান বা নতুন আৱিষ্কাৰৰ ওপৰত নিৰ্ভৰ নকৰে । মানুহে নিজৰ ভিতৰৰ মানৱতাক কেনেদৰে জীয়াই ৰাখিব পাৰে, তাৰ ওপৰতেই ইয়াৰ মূল আধাৰ নিৰ্ভৰ কৰে । উন্নত প্ৰযুক্তিৰ লগতে অধিক মমতা, অধিক বিবেক আৰু অধিক আন্তৰিকতাৰো প্ৰয়োজন । কাৰণ যি সভ্যতাই মহাকাশ জয় কৰিব পাৰে কিন্তু নিজৰ কাষৰ মানুহজনৰ চকুৰ পানী পঁচিব নোৱাৰে, সেই সভ্যতাৰ বাহ্যিক সাফল্য যিমানেই চকুতলগা নহওক কিয়, তাৰ নৈতিক পূৰ্ণতা কেতিয়াও সম্পূৰ্ণ হ'ব নোৱাৰে ।

পৰিশেষত ক'ব পাৰি যে, 'মানুহে মানুহৰ বাবে' গীতটোৰ সৰ্বশ্ৰেষ্ঠ শক্তি হয়তো ইয়াৰ সু�ৰৰ মাধুৰ্যতকৈও অধিক নিহিত হৈ আছে- ইয়াৰ সৰল অথচ অসীম গভীৰ সত্যত । সেয়া হ'ল- মানুহক মানুহে বচাব লাগিব, মানুহক মানুহেই সাহস দিব লাগিব, মানুহৰ দুখত মানুহেই কাতৰ হ'ব লাগিব । যিদিনাখন এই সত্য আমাৰ ব্যক্তিগত জীৱন, সামাজিক আচৰণ আৰু সামূহিক চেতনাৰ অংশ হৈ উঠিব, সেইদিনাই ভূপেন হাজৰিকাৰ গীতৰ সাৰ্থকতা পূৰ্ণ হ'ব । তেতিয়াহে আমি ক'ব পাৰিম- আমি কেৱল উন্নত সভ্যতাৰ বাসিন্দা নহয়, সঁচা অৰ্থতেই আমি মানুহ হৈ উঠিছোঁ ।

তথ্যসূত্ৰ-

১) ভূপেন হাজৰিকাৰ গীত আৰু জীৱন ৰথ। দিলীপ কুমাৰ দত্ত। প্ৰকাশক- বনলতা। গুৱাহাটী-১

২) গৰীয়সী। জন্ম শতবৰ্ষ পূৰ্বৰঙ্গ। মাৰ্চ- ২০২৫। দ্বাত্ৰিংশ বছৰ। পঞ্চম সংখ্যা ।

মৰিগাঁৱত শংকুমণি শইকীয়া আৰু দীপজ্যোতি বৰাই মৰণোত্তৰ নেত্ৰদানৰ লগতে দেহ দান

।। **বিশেষ সেৱা**।। সমগ্ৰ দেশতে ২৫ আগষ্টৰ পৰা ৮ ছেপ্টেম্বৰলৈ ৪১সংখ্যক ৰাষ্ট্ৰীয় নেত্ৰদান পখেক উদ্‌যাপন উপলক্ষে অলপতে ৰাষ্ট্ৰীয় অন্ধতা আৰু দৃষ্টি ক্ষীণতা নিয়ন্ত্ৰণ কাৰ্যসূচী মৰিগাঁও আৰু মৰিগাঁও জিলা সুমলা মহিলা সংঘৰ যুটীয়া উদ্যোগত গুৱাহাটী লায়ন্স চকু চিকিৎসালয়ৰ কাৰিকৰী সহযোগত 'নেত্ৰদান আৰু চকুৰ যত্নৰ সজাগতা সভা তথা বিনামূলীয়া চকুৰ চানি অস্ত্ৰোপচাৰৰ বাবে বাচনি শিৱিৰ'ৰ অনুষ্ঠিত হয়। মৰিগাঁও নগৰৰ সমীপৱৰ্তী কমাৰবৰী সোণাৰি গাঁৱত অৱস্থিত মৰিগাঁও জিলা সুমলা মহিলা সংঘৰ কাৰ্যালয় প্ৰাঙ্গণত অলপতে পুৱাৰ ভাগত মৰিগাঁও যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ শৈলেন্দ্ৰ বৰ্ধন বৰাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা অনুষ্ঠানটোত আদৰণি ভাষণ দিয়ে মৰিগাঁও জিলা সুমলা মহিলা সংঘৰ মুখ্য কাৰ্যবাহী বিষয়া মহেন্দ্ৰ শইকীয়াই। জিলা প্ৰকল্প বিষয়া পিনাকী ভূষণ মহন্তই আঁতধৰা শিৱিৰত দুগৰাকী মহানুভৱ যুবক ক্ৰমে — শংকুমণি শইকীয়া আৰু দীপজ্যোতি বৰাইমৰণোত্তৰ নেত্ৰদানৰ লগতে দেহ দান কৰি প্ৰতিশ্ৰুতি পত্ৰ দাখিল কৰে। চকুৰ চানিৰ বাবেই 'সাময়িক অন্ধত্ব'ক আকোঁৱালি ল'বলগীয়া হোৱা সমাজৰ আৰ্থিকভাৱে দুৰ্বল লোকসকলক বিনামূলীয়া অস্ত্ৰোপচাৰ সেৱা আগবঢ়োৱাৰ অন্যতম বিশেষ লক্ষৰে আয়োজন কৰা এই শিৱিৰত মৰিগাঁও অতিৰিক্ত আয়ুক্ত ড° নীলাক্ষী বৈশ্য, সদৌ অসম গ্ৰাম্য পুথিভঁৰাল সস্থাৰ সভাপতি প্ৰতাপ হাজৰিকা, মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সভাপতি অজিত শৰ্মা, বিৰিঞ্চি কুমাৰ শৰ্মা, জিলা যক্ষ্মা বিষয়া ডাঃ অমৰজ্যোতি ডেকা, ইলোৱা বিজ্ঞান মঞ্চ অসমৰ প্ৰধান সম্পাদক মনোজ ৰয়, বিষয়ৱবীয়া মানৱী শইকীয়া, দীপক শৰ্মাকে ধৰি বহুকেইজন বিশিষ্ট ব্যক্তিয়ে অন্ধতা আৰু দৃষ্টি ক্ষীণতা নিয়ন্ত্ৰণ কেনেকৈ কৰিব পাৰি তাৰ ওপৰত বিস্তৃতভাৱে আলোকপাত কৰে। উল্লেখ্য যে— শিৱিৰত ১৫০ জন ৰোগীৰ চকুৰ পৰীক্ষা কৰা হয় আৰু ৩২ জনক অস্ত্ৰোপচাৰৰ বাবে বাচনি কৰা হয়। ইপিনে শিৱিৰত মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ প্ৰাক্তন সম্পাদক জিতুমণি নাথ,মৰিগাঁও জিলা সুমলা মহিলা সংঘৰ সভাপতি ধৰ্মেশ্বৰী শইকীয়া, সম্পাদক পূৰ্ণৰী বৰা,গুৱাহাটী লায়ন্স চকু চিকিৎসালয়ৰ কাৰিকৰী বিভাগৰ বিষয়ৱবীয়াকে ধৰি বহুকেইজন বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।



সাপ্তাহিক মৰিগাঁও ঃ স্বত্বাধিকাৰী, সম্পাদক আৰু প্ৰকাশক - শ্ৰীদময়ন্তী দেৱী, ওৱাৰ্ড নং-৪, এম. বি. ৰোড, মৰিগাঁও নগৰ, পোঃ জিলা- মৰিগাঁও (অসম)। পিন- ৭৮২১০৫।

মুদ্রিত ঃ শ্ৰী অমিত জৈন, আৰ. কে. প্ৰিণ্টাৰ্ছ, বেহাৰবাৰী, কামৰূপ (মেট্ৰো), গুৱাহাটী-৪০, অসম।

ফোন নং-(০৩৬৭৮) ২৪০১১২, ৯৪৩৫১-৬৪৫১১, ৯৯৫৪৬-৭০২১৯, ৯৮৫৯১-৩৬৫০১ |**e-mail:** saptahikmorigaon@gmail.com,jnath83@gmail.com, **bksarma98591@gmail.com.**

সম্পাদকঃ দময়ন্তী দেৱী *সম্পাদনা উপদেষ্টা ঃ* বুদ্ধেশ্বৰ পেগু (অবৈ.) *মুখ্য সম্পাদক ঃ* জগদীশ চন্দ্ৰ নাথ (অবৈতনিক) *কাৰ্যবাহী সম্পাদক ঃ* জিতুমনি নাথ (অবৈ.)

Saptahik Morigaon : Owner, Editor & Publisher Sri Damayanti Devi, Ward No. 4, M.B. Road, Morigaon Town, P.O. & Dist.- Morigaon (Assam). PIN-782105.
Printed by : Sri Amit Jain, R. K. Printers, Beharari, Kamrup (M), Guwahati-40, Assam.
Ph. No. (03678) 240112, 94351-64511, 99546-70219, 98591-36501**:: e-mail:** saptahikmorigaon@gmail.com, jnath83@gmail.com, **bksarma98591@gmail.com.**

Editor - Damayanti Devi **Editing Advisor- Sri Budheswar Pegu (Hony.)** **Chief Editor - Jagadish Ch. Nath (Hony.)** **Executive Editor - Jitumoni Nath (Hony.)**